# মধ্যযুগীয় ইউৰোপৰ সামন্তবাদ
## (Feudalism in Medieval Europe)

সামন্তবাদৰ পৰিভাষা তথা ইয়াৰ চৰিত্ৰ বিভিন্ন দৃষ্টিকোণৰ পৰা সুচী... অৰ্থনৈতিক দিশৰ পৰা সামন্তবাদক এক উৎপাদন ব্যৱস্থা (Mode of Produc-tion) হিচাপে গণ্য কৰা হয়, য'ত সামন্তপ্ৰভু আৰু ভূমিহীন কৃষকৰূপে দুটা শ্ৰে... জড়িত হৈ থাকে। ৰাজনৈতিক দৃষ্টিকোণৰ পৰা সামন্তবাদ হৈছে একধৰণৰ বিকেন্দ্ৰী... শাসন প্ৰক্ৰিয়া য'ত ৰজাৰ পৰা সামন্তপ্ৰভুলৈ ক্ষমতা বিস্তৃবিত হৈ থাকে। অন্যহা... সামাজিক দৃষ্টিকোণৰ পৰা সামন্তবাদ হৈছে এক স্তৰীভূত সমাজ ব্যৱস্থা য'ত সমা... বিভিন্ন স্তৰত নিৰ্দিষ্ট পক্ষসমূহৰ মাজত আনুগত্য আৰু সুৰক্ষাৰ সম্পৰ্ক জড়িত হৈ থাকে। ইউৰোপীয় সামন্তবাদ ঘাইকৈ তিনিটা প্ৰধান উপাদান লৈ গঠিত— ৰজা, সামন্তশ্ৰেণী আৰু কৃষকসকল। মধ্যযুগীয় ইউৰোপত সাধাৰণতে ৰজাজনে এ... একোজন সামন্তপ্ৰভুক মাটি ব্যৱহাৰৰ বাবে প্ৰদান কৰিছিল য'ত সামন্তজনৰ নিৰ্দি... সময়লৈকে ন্যায়িক অধিকাৰ আছিল আৰু ইয়াৰ বিনিময়ত তেওঁ ৰজাক যুদ্ধৰ সময়... সামৰিকভাৱে সহায় কৰিবলগা হৈছিল। এই ৰজাৰ পৰা অধিকৃত ভূমি (ইংৰাজী... Fief) ভাগত সামন্তৰ অধীনত সাধাৰণতে ভূমিহীন কৃষকসকল উৎপাদন কাৰ্য... জড়িত হৈ পৰিছিল। এই আনুগত্য তথা পাৰস্পৰিক লাভালাভ সামন্তবাদৰ মেৰুদণ্ড... তথা ইয়াৰ প্ৰধান চালিকাশক্তি আছিল। উল্লেখ্য যে, কাৰ্ল মাৰ্ক্সে সামন্তবাদৰ নকাৰাত্ম... দিশ যেনে কৃষকৰ ওপৰত শোষণ তথা শ্ৰেণী বৈষম্যৰ ওপৰত জোৰ দিয়াৰ বিপৰীতে... ফৰাচী ইতিহাসবিদ মাৰ্ক ব্লকে (Marc Bloch) সামন্তবাদক এক উমৈহতীয়া চুক্তিস্বৰূপে পৰিলক্ষিত কৰে য'ত উভয় পক্ষই কিছু পাৰস্পৰিক দায়িত্ব তথা কৰ্তব্য... ন্যস্ত থাকে।

**সামন্তবাদ সম্পৰ্কীয় কিছু পৰিভাষাৰ শব্দগত অৰ্থ**

| | |
|---|---|
| লৰ্ড (Lord) | সেইজন ব্যক্তি যিজনে মাটি সামন্তক প্ৰদান কৰে (সাধাৰণতে ৰজা), ক্ষুদ্ৰ সামন্তৰ বাবে উৰ্দ্ধতন সামন্তজন 'লৰ্ড' আছিল। |
| ভেচেল (Vassal) | সামন্তপ্ৰভু, যিজনে মাটি লৰ্ডৰ পৰা লাভ কৰে। এ... সামন্তৰ অধীনত অন্য সামন্ত (Tenant) থাকিব পাৰিছিল। ক্ষুদ্ৰ সামন্তৰ বৰে মূল সামন্তজন (Overlord) লৰ্ড বা প্ৰভুৰ দৰে আছিল। |
| ফিফ্ (Fief) | লৰ্ডে সামন্তক প্ৰদান কৰা মাটি। |
| হোমেজ (Homage) | সামন্তই মাটি লাভ কৰাৰ সময়ত কৰা পাৰস্পৰিক চুক্তি। |
| কৰভি (Corvee) | নিৰ্দিষ্ট সময়ৰ বাবে ব্যৱহৃত মজুৰিবিহীন কৃষক শ্ৰমিক। |
| চাৰ্ফ (Serf) | মেনৰিয়েল প্ৰথাৰ লগত জড়িত কৃষক দাস শ্ৰমিক শ্ৰেণী। |
| ফ্ৰিমেন (Freeman) | মেনৰিয়েল প্ৰথাৰ লগত জড়িত মুক্ত কৃষকশ্ৰেণী। |
| চিভাল্ৰি (Chivalry) | নাইটসকলে অৰ্জন কৰিব লগা কিছু নৈতিক প্ৰমূল্য। |



৪৭৬ খ্ৰীঃত পশ্চিমীয়া ৰোমান সাম্ৰাজ্যৰ পতনৰ পাছত ৮০০ খ্ৰীঃত ফ্ৰেংক সম্ৰাট চাৰ্লেমেন ওৰফে প্ৰথম চাৰ্লচক পোপ তৃতীয় লিঅ'ই 'Imperator Romanorum' বা 'ৰোমান সাম্ৰাজ্যৰ শাসক' (কাৰ্যতঃ কেৱল পশ্চিম ৰোমান সাম্ৰাজ্যৰ; যিহেতু পূব ৰোমান সাম্ৰাজ্য বাইজেন্টাইন শাসকৰ শাসনাধীন আছিল) আখ্যা দিছিল। এই বংশৰ সময়ছোৱাক ইউৰোপৰ ইতিহাসত কেৰ'লিংগান শাসনকাল হিচাপে জনা যায়। খ্ৰীঃ নৱম শতিকাত এই কেৰ'লিংগান শাসনৰ অৱক্ষয় আৰম্ভ হয় আৰু সাম্ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্থানীয় প্ৰভাৱশালী লোক তথা সেনাধ্যক্ষসকল মূৰ দাঙি উঠে। তেওঁলোকে ক্ৰমান্বয়ে নিৰ্দিষ্ট অঞ্চলসমূহৰ পৰা কৰ-কাটল সংগ্ৰহ কৰিবলৈ লয় আৰু আইন আৰু ন্যায়ব্যৱস্থাৰো স্বয়ং প্ৰতিভূ হৈ পৰে। প্ৰায় ৯০০ খ্ৰীঃত তেওঁলোকে বৰ্বৰ ভাইকিঙ্সকলৰ আগমনৰ সময়ত স্থানীয় লোকৰ সা-সম্পত্তিৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব লয়। ইয়াৰ বিপৰীতে কৃষক জনসাধাৰণে তেওঁলোকৰ ভূমি এনে স্বয়ম্ভূসকলক অৰ্পণ কৰে আৰু কৃষিভূমিত শ্ৰমদান কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হয়। এনেদৰে ক্ৰমান্বয়ে পশ্চিম ইউৰোপত ব্যাপক ৰূপত সামন্তবাদে গা কৰি উঠে। মধ্যযুগীয় ইউৰোপত সামন্তবাদে গা কৰি উঠা প্ৰধান অঞ্চলসমূহ আছিল— ইংলেণ্ড, ফ্ৰান্স, ইটালী, জাৰ্মানী, ৰোমান সাম্ৰাজ্য (পূব) আৰু পৰ্টুগাল। সামন্তবাদ প্ৰায় খ্ৰীঃ নৱম শতিকাৰ পৰা চতুৰ্দশ শতিকালৈকে প্ৰভাৱশালী ৰূপত ইউৰোপত বিৰাজমান আছিল।

**সামন্তবাদ ব্যৱস্থাৰ গঠনপ্ৰণালী (Structure of Feudalism) :**

ইউৰোপীয় সামন্তবাদী ব্যৱস্থাৰ প্ৰধান অংগ আছিল তিনিটা— ৰজা, সামন্ত আৰু ভূমিহীন কৃষকশ্ৰেণী। মাটিৰ প্ৰকৃত হৰ্তাকৰ্তা ৰজাই সাধাৰণতে এই ভূমি (ফিফ্) সম্ভ্ৰান্তীয় সামন্ত লোকক কিছু সামৰিক সাহায্যৰ বিনিময়ত এক নিৰ্দিষ্ট সময়লৈ অৰ্পণ কৰিছিল। এইক্ষেত্ৰত সামন্তজনে ৰজাক আনুগত্য প্ৰদৰ্শন কৰিব লগা হৈছিল আৰু 'এক্ট অব হ'মেজ' নামে এক বিশেষ চুক্তি তথা অনুষ্ঠানৰ যোগেদি দুই পক্ষ এক

সিদ্ধান্ত উপনীত হৈছিল। সিদ্ধান্ত অনুসৰি সামন্তজনে ৰজাক প্ৰয়োজনত সামৰিকভাৱে সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু ৰজাই উক্ত সামন্তজনক নিৰ্দিষ্ট ভূমি বা 'ফিফ' অৰ্পণ কৰি সামন্তজনক এই ভূমিৰ অন্তৰ্গত লোকসকলক শাসন কৰাৰ অধিকাৰো কাৰ্যতঃ প্ৰদান কৰিছিল। ৰজাৰ বাবে এইক্ষেত্ৰত সামন্তজনৰ পৰা পাব লগা সামৰিক সহায় এইচুক্তিৰ প্ৰধান কাৰক আছিল। সামৰিক সাহায্যৰ লগতে সামন্তজনে ৰাজসভাত উপস্থিতি প্ৰদান কৰা আৰু যুদ্ধ-বিগ্ৰহৰ ঘোষণাৰ ক্ষেত্ৰত ৰজাৰ সৈতে মত-বিনিময় কৰিব লগা হৈছিল। সামন্তজনৰ প্ৰধান কৰ্তব্যই আছিল ৰজাক যুদ্ধ তথা প্ৰতিৰক্ষাত সহায় আগবঢ়োৱা। সামৰিক সাহায্যৰ লগতে বিভিন্ন অনুষ্ঠানত ভূমিৰ মালিক তথা ৰজাক সামন্তই অৰ্থনৈতিকভাৱেও সহায় আগবঢ়াব লগা হৈছিল। যদি সামন্তজন তেওঁৰ দায়িত্ব পালনত ব্যৰ্থ হয় তেন্তে ৰজাই ফিফ্ বা উক্ত মাটিখিনি ঘূৰাই ল'ব পাৰিছিল। সামন্তৰ মৃত্যু হ'লে তেওঁৰ ডাঙৰ পুত্ৰই নিৰ্দিষ্ট মাটিখিনি লাভ কৰিছিল। অৱশ্যে তেওঁ ৰজাৰ সৈতে উদ্দেশ্যীয় চুক্তি 'এক্ট অৱ হোমেজ' সম্পন্ন কৰিব লগা হৈছিল। উল্লেখ্য যে এজন সামন্তৰ অধীনতো অন্য ক্ষুদ্ৰ সামন্তবৰ্তি আছিল আৰু এনেদৰে ইউৰোপত সামন্তবাদীয় পিৰামিড নিৰ্মিত হৈছিল।

## নাইটসকল (The Knights) ঃ

নাইটসকল মধ্যযুগীয় ইউৰোপৰ এক যুঁজাৰু সৈনিক শ্ৰেণী আছিল যি সেই সময়ৰ ইউৰোপীয় সম্ভ্ৰান্ত শ্ৰেণীৰে (Nobility) এটা ভাগ (সৰ্বনিম্ন) আছিল। অন্য সম্ভ্ৰান্ত শ্ৰেণীৰ দৰে নাইটসকলৰ অন্যক দিবলৈ নিজা ভূমি নাছিল আৰু নাইটসকলে এই আন উচ্চ পৰ্যায়ৰ সামন্তসকলৰ বাবে কাম কৰিছিল। এই অধিসামন্ত (Over-lord)ৰ পৰা নাইটসকলে ভূমি লাভ কৰিছিল আৰু বিনিময়ত সামন্তজনক সামৰিক সাহায্য প্ৰদান কৰিছিল। 'মিলাইট' নামৰে ৰাজকুমাৰসকলৰ বাবে সামৰিকভাৱে কাম কৰা এক বিশেষ শ্ৰেণীৰ পৰা খ্ৰীঃ দ্বাদশ আৰু ত্ৰয়োদশ শতিকাত ইউৰোপত নাইট শ্ৰেণীটোৰ উদ্ভৱ হৈছিল। 'চিভলৰি' (Chivalry) নামে কিছু নৈতিক প্ৰমূল্য অৰ্জন কৰি এনেকোন লোকে নাইট হ'ব পাৰিছিল। ইয়াৰ লগতে সামৰিক ক্ষেত্ৰখনতো ব্যক্তিজনে নিজৰ দক্ষতা প্ৰমাণ কৰিব লাগিছিল। চিভলৰি নীতি অনুযায়ী নাইটজনে তেওঁৰ মুৰব্বীক সম্মান জনোৱা, নিজৰ সাহসিকতাৰ প্ৰমাণ কৰা, মহিলাক সম্মান প্ৰদৰ্শন কৰা, নিৰ্বলক সম্মান প্ৰদৰ্শন কৰা, দুৰ্গতজনক সহায় আগবঢ়োৱা আদি নৈতিক আচৰণ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ব লগা হৈছিল। এজন নাইট সৎ আৰু যুঁজত পৰাক্ৰমী হ'ব লাগিছিল। এই চিভলৰি নীতিয়েই ইউৰোপত কালক্ৰমত আচৰণশীলতা তথা প্ৰমূল্যবোধৰ বিকাশৰ ক্ষেত্ৰত প্ৰধান অৰিহণা যোগাইছিল।



সাত বছৰ বয়সত সাধাৰণতে নাইটৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছিল। নিজ পৰিয়ালৰ পৰা নিলগত অন্য সম্ভ্ৰান্তীয় তথা সামন্ত লোকৰ তত্ত্বাৱধানত থাকি এজন ব্যক্তিয়ে ঘোঁৰাচালনা আৰু সামৰিক কলাৰ প্ৰশিক্ষণ লৈছিল। ১৪ বছৰ বয়সত তেওঁ ঘোঁৰাত উঠি অস্ত্ৰচালনা কৰাত সক্ষম হ'ব লাগিছিল। সকলোবোৰ কৃত কাৰ্যজনৰ অন্তত যদি তেওঁ নিজৰ পাৰদৰ্শিতা প্ৰমাণিত কৰে তেন্তে তেওঁক 'ডাবিং' নামৰ অনুষ্ঠানৰ জৰিয়তে 'নাইট' হিচাপে ঘোষণা কৰা হৈছিল। তেওঁ মুৰব্বী সম্ভ্ৰান্তজনৰ সন্মুখত অস্ত্ৰসহ আঁঠুকাঢ়ি চিভলৰিৰ নীতি-নিয়ম মানি চলিম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিল। মুৰব্বীগৰাকীয়ে দেগাৰেৰে তেওঁৰ বাহুত স্পৰ্শ কৰি তেওঁক 'নাইট' হিচাপে মান্যতা প্ৰদান কৰিছিল। 'স্কোৱাৰ্ড' নামৰ খাপত নাইটজনে নিজ তৰোৱাল খচিত কৰিছিল আৰু পৰৱৰ্তী সময়ত মুৰব্বীক সামৰিক তথা প্ৰতিৰক্ষামূলক সাহায্য আগবঢ়াই যাবলৈ সম্পূৰ্ণৰূপে সৈয়াৰ হৈ উঠিছিল।

নাইটসকলৰ মাজত তেওঁলোকৰ সামৰিক কলা-কৌশল, শৌৰ্য-বীৰ্য তথা দক্ষতা প্ৰদৰ্শনৰ পৰীক্ষাৰ বাবে দণ্ডযুদ্ধ (Tournament)ৰ আয়োজন কৰা হৈছিল। সম্ভ্ৰান্তীয় বৰ্গ, তেওঁলোকৰ পত্নীসকল তথা অন্য বহু লোকে এই দণ্ডযুদ্ধ প্ৰেক্ষাগৃহৰ পৰা প্ৰত্যক্ষ কৰিছিল। জাউষ্ট (Joust) নামে জয়ংকৰ তথা জনপ্ৰিয় প্ৰতিযোগিতাটোত অস্ত্ৰধাৰী দুজন নাইটে ঘোঁৰাত উঠি প্ৰতিপক্ষক আক্ৰমণ কৰিব লগা হৈছিল যাতে প্ৰতিপক্ষ ঘোঁৰাৰ পৰা বাগৰি যায়। ৰক্তক্ষয়ী এই প্ৰতিযোগিতাত বহুজন নাইট তথা ঘোঁৰা আঘাতপ্ৰাপ্ত তথা মৃত্যুমুখত পৰিব লগা হৈছিল। অৱশ্যে এনে বিভীষিকাৰ পাছতো এই প্ৰতিযোগিতা সমসাময়িক সমাজত যথেষ্ট জনপ্ৰিয় আছিল আৰু এনে প্ৰতিযোগিতাত অৱতীৰ্ণ নোহোৱা নাইটসকলক বাস্তৱ যুদ্ধক্ষেত্ৰৰ বাবে অপৰিপক্ক হিচাপে বিবেচনা কৰা হৈছিল।

## মেনৰ ব্যৱস্থা বা মেনৰিয়েল প্ৰথা (The Manor System) ঃ

মেনৰ ব্যৱস্থা জমিদাৰী প্ৰথাৰ দৰে এক ব্যৱস্থা আছিল য'ত থলুৱা সামন্তপ্ৰভুজনে তেওঁৰ অধীনৰ বৃহৎ অঞ্চলটোৰ কৃষি উৎপাদন ব্যৱস্থাক নিয়ন্ত্ৰণ কৰিছিল। সামন্তপ্ৰভুজনে এক দুৰ্গসদৃশ প্ৰাসাদ (Castle)ত বাস কৰিছিল যি কৃষকৰ বসতিস্থল আৰু এক কৃষিভূমিৰ সংলগ্নভাৱে নিৰ্মাণ কৰা হৈছিল। এই ভূমিক মধ্যযুগীয় ইউৰোপত সামন্তবাদীয় পৰম্পৰাৰ অন্য এক অংশ হিচাপে 'মেনৰ' বোলা হৈছিল। মেনৰ ব্যৱস্থাৰ তিনিটা প্ৰধান উপাদান আছিল— (১) ভূস্বামীৰ মাটি (Demense Land), (২) ভূমিদাস (Serf)ৰ মাটি (Virgates) আৰু (৩) মুক্ত কৃষকৰ মাটি (Allods)।

মেনৰ নামৰ এই কৃষিক্ষেত্ৰীয় এলেকাত দুই ধৰণৰ কৃষকে কৃষিকাৰ্যত জড়িত হৈছিল আৰু তেওঁলোক আছিল মুক্ত কৃষক (Freeman) আৰু ভূমিদাস (Serfs) শ্ৰেণী। ভূমিদাসজন আৰু তেওঁৰ পৰিয়াল ভূস্বামীজনৰ ব্যক্তিগত সম্পত্তিৰ দৰে আছিল। তেওঁলোকে নিজ ঠাই এৰি অন্য ঠাইলৈ যাব নোৱাৰিছিল আৰু সৈন্যদলতো যোগদান কৰিব নোৱাৰিছিল। বিবাহৰ ক্ষেত্ৰতো তেওঁলোকে মুৰব্বী ভূস্বামীজনৰ অনুমতি ল'ব লাগিছিল। এজন ভূমিদাসৰ বাবে মুক্তি লাভ কৰা যথেষ্ট কষ্টকৰ আছিল। যদি তেওঁ অন্য নগৰ এলেকালৈ পলায়ন কৰি বহুদিন ধৰা নপৰাকৈ থাকে তেন্তে তেওঁ ভূমিদাসত্ব পৰা মুক্ত হৈছিল। মধ্যযুগীয় ইউৰোপৰ শেষৰফালে নিৰ্দিষ্ট মূল্যৰ বিনিময়ত ভূমিদাসত্ব পৰা মুক্তি লাভ কৰিব পাৰিছিল। ভূমিদাসসকলে তেওঁলোকৰ ধাৰ্য ভূমিৰ লগতে ভূস্বামীজনৰ নিজা মাটিতো সেৱা আগবঢ়াব লাগিছিল আৰু মুৰব্বীজনৰ মিল, চুলা, সুৰাৰ খুন্দনা (Wine Press) আদি ব্যৱহাৰৰ বাবে নিৰ্দিষ্ট মূল্য তেওঁক পৰিশোধ কৰিছিল।

যথেষ্ট কষ্টকৰ দৈনন্দিন জীৱন যাপন কৰা সত্ত্বেও এনে ভূমিদাস (Serf)সকলে কিছু মনোৰঞ্জনমূলক সা-সুবিধা লাভ কৰিছিল। ৰবিবাৰ তেওঁলোকৰ বাবে এক বন্ধৰ দিন আছিল। বৰদিন বা খ্ৰীষ্টমাচৰ সময়ত ভূস্বামীগৰাকীয়ে সমূহীয়া ভোজমেলৰ আয়োজন কৰিছিল। ইয়াৰ লগতে ৰং-ৰহইচ, নাচ-গান, মল্লযুদ্ধ তথা অন্যান্য প্ৰতিযোগিতাও সেউজীয়া পথাৰৰ বুকুত নিৰ্দিষ্ট দিনত অনুষ্ঠিত হৈছিল। ১২০০ খ্ৰীঃৰ পৰা কৃষকসকলে কৃষিৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছিল যি বিশেষকৈ সম্ভৱ হৈ উঠিছিল ভাৰী লোহাৰ নাঙল ব্যৱহাৰৰ জৰিয়তে। কৃষিত ঘোঁৰাৰ ব্যৱহাৰ তথা তিনি তৰপীয়া কৃষিভূমিৰ ব্যৱহাৰ আৰম্ভ হোৱাৰ লগে লগে উৎপাদন প্ৰক্ৰিয়াৰ গতিধাৰা ত্বৰান্বিত হৈ পৰিছিল।

ভূস্বামীগৰাকীয়ে মেনৰ ব্যৱস্থাৰ পৰিচালনাৰ বাবে বিভিন্ন বিষয়া নিয়োগ কৰিছিল। ইয়াৰে প্ৰধান দুই বিষয়া আছিল— চেনুচাল আৰু বালিফ। তেওঁলোকে নিয়মিতভাৱে প্ৰত্যেক ভূমি (Fief) আৰু কৃষকৰ কাৰ্যাৱলী পৰিদৰ্শন কৰিছিল। প্ৰত্যেক মেনৰ অঞ্চলত এক সুকীয়া বিচাৰালয় আছিল যি যিকোনো অপ্ৰীতিকৰ পৰিস্থিতি, বিবাদৰ ৰায়দান আৰু দোষীক শাস্তি প্ৰদান কৰিব পাৰিছিল। প্ৰত্যেক মেনৰ এলেকা পাৰস্পৰিক পাৰ্থক্য তথা ভৌগোলিক দূৰত্বৰ বাবে এটা আনটোৰ পৰা কিছু সুকীয়া ৰূপত অৱস্থান গ্ৰহণ কৰিছিল। প্ৰত্যেক মেনৰত লোকসকলে নিজৰ খাদ্য-বস্ত্ৰ-বাসস্থানৰ ব্যৱস্থা কৰি লৈছিল। তেওঁলোকে উনৰ বাবে ভেড়া আৰু গাখীৰৰ বাবে গৰু পোহপালন কৰিছিল। মেনৰৰ সমীপত মুৰব্বীজনে কাঠৰ এক গৃহ ( Castle)ত বাস কৰিছিল আৰু তেওঁৰ



মিল, চৌকা, সুৰা তৈয়াৰ কৰা খুন্দনা আদি মেনৰৰ লোকসকলে ব্যৱহাৰ কৰিছিল। প্ৰায়ভাগ এনে মেনৰ এলেকাত নিজা সুকীয়া গিৰ্জাঘৰো মজুত আছিল। সৰ্বসাধাৰণ কৃষক বিশেষকৈ ভূমিদাস (Serf)সকলে শোষিত এক দুৰ্বিসহ জীৱন ইয়াত অতিবাহিত কৰিছিল।

## সামন্তবাদৰ পৰ্যায়সমূহ আৰু কৃষি উৎপাদন ব্যৱস্থা (Phases of Feudalism and Agricultural Production) ঃ

মধ্যযুগীয় ইউৰোপৰ সামন্তবাদক ইতিহাসবিদ মাৰ্ক ব্লকে দুটা প্ৰধান পৰ্যায়ত বিভক্ত কৰিছে। ব্লকে তেওঁৰ গ্ৰন্থ 'Feudal Society'ত সামন্তবাদৰ প্ৰথম পৰ্যায়ত উত্তৰাধিকাৰী জাৰ্মান ৰাজ্যৰ সময়ছোৱাৰ পৰা একাদশ শতিকাৰ মধ্যভাগলৈকে এই সময়ছোৱাক অন্তৰ্ভুক্ত কৰিছে। এই সময়ছোৱাত উৎপাদন ব্যৱস্থা যথেষ্ট শ্ৰমৰ ওপৰত নিৰ্ভৰশীল আছিল আৰু ঠাইবিশেষে স্থানীয় পৰিসৰত উৎপাদন সীমাবদ্ধ আছিল। বেপাৰ-বাণিজ্য ঠন ধৰি উঠা নাছিল আৰু মুদ্ৰ ব্যৱস্থাৰ ক্ষীণ বিকাশ সাধিত হৈছিল। উৎপাদিত শস্যৰে সাধাৰণতে মূল্য পৰিশোধ কৰা হৈছিল আৰু গোটেই উৎপাদন ব্যৱস্থাটোত গ্ৰাম্য অৰ্থনীতিৰ এক পৰিস্ফুট চাপ বিৰাজমান আছিল। শ্ৰমৰ লগত জড়িত কৃষকশ্ৰেণীৰ অৱস্থা যথেষ্ট জুৰুলা তথা পুতৌলগা আছিল। কৃষকসকল বেছিভাগেই ভূস্বামীৰ ওপৰত নিৰ্ভৰশীল আছিল। উৎপাদন ব্যৱস্থাৰ অন্তত সৃষ্ট ৰাহি উৎপাদনো এই সময়ছোৱাত তেনেই নিশকতীয়া আছিল। ইয়াৰ দ্বিতীয় পৰ্যায় হিচাপে, মধ্যযুগীয় ইউৰোপৰ একাদশ শতিকাৰ মাজভাগৰ পৰা চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্ধক সূচোৱা হয়। সামন্তবাদৰ বিকাশৰ এই দ্বিতীয় পৰ্যায়ত ক্ৰমান্বয়ে জনসংখ্যাৰ দ্ৰুত বিকাশ, বিস্তৰ কৃষিভূমি মুকলিৰ প্ৰক্ৰিয়াৰ আৰম্ভণিৰ লগতে বিভিন্ন প্ৰযুক্তিগত বিকাশ সংঘটিত হয় যাৰ পৰিণতিৰূপে বেপাৰ-বাণিজ্যৰ ব্যাপক সম্প্ৰসাৰণৰ প্ৰক্ৰিয়া ত্বৰান্বিত হৈ পৰে। বহু ঐতিহাসিকৰ মতে, বেপাৰ-বাণিজ্যৰ উত্থানৰ ফলস্বৰূপে সামন্তবাদৰ পতনৰ প্ৰক্ৰিয়া অৱশ্যম্ভাৱী হৈ পৰে কিয়নো, এনে নতুন প্ৰেক্ষাপটত পূৰ্বৰ সামন্ত ভূস্বামীৰ পৰিৱৰ্তে এতিয়া সদাগৰ শ্ৰেণী প্ৰভাৱশালী হৈ উঠিছিল। মাৰ্ক ব্লকেও সামন্তবাদৰ দ্বিতীয় পৰ্যায়ত সামন্তবাদীয় পৰিকাঠামো যথেষ্ট পৰিমাণে শিথিল তথা অধোগামী হৈ পৰিছিল বুলি মতপোষণ কৰে।


### সামন্তবাদৰ প্ৰথম পৰ্যায় (নৱম শতিকা—একাদশ শতিকা) ঃ

সামন্তবাদৰ বিকাশৰ এই পৰ্যায়ত উৎপাদন ব্যৱস্থা ভূমিহীন কৃষকৰ শাৰীৰিক শ্ৰমৰ ওপৰত নিৰ্ভৰশীল আছিল। ৰাহি উৎপাদন (Surplus Production)ৰ

পৰিমাণো আছিল যথেষ্ট সীমিত। বেপাৰ-বাণিজ্য এই সময়ছোৱাত কিছু পৰিম আছিল যদিও ই একেবাৰেই নগণ্য আছিল। উৎপাদিত সামগ্ৰীও বাণিজ্যৰ ব আগবঢ়াই দিয়াৰ ব্যাপক পৰিৱেশ গঢ় লৈ উঠা নাছিল।

**কৃষি উৎপাদন ঃ**

প্ৰথম অৱস্থাত সামন্তবাদীয় প্ৰাৰম্ভিক পৰ্যায়ত কৃষি উৎপাদন তেনেই সীমি আছিল। ইয়াৰ প্ৰধান কাৰণ আছিল অনগ্ৰসৰ কৃষিপ্ৰযুক্তি। মাটি যথেষ্ট আলতী তথা টান হোৱাৰ বাবে তিনি-চাৰিবাৰকৈ চহাব লগা হৈছিল। কৃত্ৰিম ৰাসায়নিক স সেই সময়ছোৱাত অজ্ঞাত আছিল আৰু প্ৰাকৃতিক সাৰ সমূহীয়া কৃষিক্ষেত্ৰৰ বা যথেষ্ট নাছিল। খ্ৰীঃ ষষ্ঠ শতিকাত উত্তৰ ইটালিৰ 'পো' ভেলীত ভাৰী ফালযুক্ত আ চকাযুক্ত যথেষ্টসংখ্যক বলধৰ দ্বাৰা কৰ্ষণ কৰিব পৰা ভাৰী নাঙল (Heavy Plough)ৰ ব্যৱহাৰ আৰম্ভ হৈছিল। চকাযুক্ত এনে ভাৰী নাঙলে পূৰ্বতকৈ অধিক হাৰত ফলপ্ৰসূৰূপ কৰ্ষণকাৰ্য কৰিব পৰা হোৱাত উৎপাদনৰ পৰিমাণ দ্ৰুত ৰূপত বৃদ্ধি পাইছিল। ইয়াৰ লগতে এনে ভাৰী ফলপ্ৰসূ নাঙলৰ ব্যৱহাৰৰ লগে লগে পূৰ্বৰ তিনি-চাৰিবাৰকৈ চহা লগা প্ৰক্ৰিয়াৰ সমাপ্তি ঘটিছিল। বৃহৎ শাৰী শাৰীকৈ নাঙলৰ সিৰলুৰে পথাৰসমূ চহোৱা হৈছিল য'ত চাৰিৰ পৰা আঠটালৈকে বলধ সংযুক্ত হৈছিল। অৱশ্যে এন বৃহৎসংখ্যক বলধেৰে হাল বাই কৃষিকাৰ্য কৰাটো বহুসংখ্যক সাধাৰণ কৃষকৰ বাবে অসাধ্যপ্ৰায় আছিল।



কাৰুকা বা ভাৰী নাঙল

১০০০ খ্ৰীঃৰ আশে পাশে জনপ্ৰিয় হোৱা কিছু নতুন প্ৰযুক্তিগত উদ্ভাৱনৰ লগে লগে উৎপাদন প্ৰক্ৰিয়া অধিক তৰান্বিত হৈ পৰিছিল। কৰ্ষণ প্ৰক্ৰিয়াত বলধৰ ঠাইত ঘোঁৰাৰ ব্যৱহাৰ আৰম্ভ হৈছিল। এই সময়ছোৱাৰ দুই প্ৰযুক্তিগত উদ্ভাৱন আছিল ঘোঁৰাৰ খুৰাত ব্যৱহৃত হোৱা খৰম (Horse Shoes) আৰু ঘোঁৰাৰ কান্ধত সংলগ্ন কৰা গলবান্ধ (Horse Collar)। এনে খৰমৰ যোগেদি অধিক ফলপ্ৰসূৰূপে কৃষিক্ষেত্ৰত ঘোঁৰা চলাচল কৰিব পৰাৰ লগতে গলবান্ধৰ ব্যৱহাৰৰ দ্বাৰা কৰ্ষণকাৰ্যত এনে ঘোঁৰাসমূহৰ শ্বাস-প্ৰশ্বাসৰ পূৰ্বৰ সমস্যা লাঘৱ হৈছিল। ফলস্বৰূপে পূৰ্বতকৈ অধিক ফলপ্ৰসূ ৰূপত উৎপাদন প্ৰক্ৰিয়া সম্ভৱ হৈ উঠিছিল যাৰ



বাবে বাহি উৎপাদন বৃদ্ধি পাইছিল। অৱশ্যে দক্ষিণ ফ্ৰান্স আৰু ভূমধ্য সাগৰীয় এলেকাত ত্ৰয়োদশ শতিকাৰ সময়ছোৱাত ঘোঁৰাৰ তুলনামূলক বৰ্ধিত দাম তথা ইয়াৰ খাদ্যৰ অত্যাধিক খৰচৰ বাবে কৃষিকাৰ্যত ঘোঁৰাৰ ঠাইত পুনৰ বলধৰ ব্যৱহাৰ হ'বলৈ আৰম্ভ কৰিছিল।

সাধাৰণতে একোখন গাঁও বা এলেকাত সমূহীয়াভাৱে কৃষিকাৰ্য সম্পন্ন কৰা হৈছিল। ইয়াৰ মূল কাৰণ আছিল প্ৰত্যেকজন কৃষকৰ বাবে ঘোঁৰা আৰু ভাৰী নাঙল ক্ৰয় কৰাৰ অসমৰ্থতা। এনেদৰে সমজুৱাভাৱে পালিত পশু (ঘোঁৰা, বলধ) বাধাহীনভাৱে সমগ্ৰ এলেকাটোত বিচৰণ কৰিব পাৰিছিল। গাঁৱৰ প্ৰত্যেক পৰিয়ালৰ পৰা নিৰ্দিষ্ট ব্যক্তিয়ে শস্য সিঁচা আৰু নাঙলেৰে হাল বোৱা তথা শস্য চপোৱাত সমূহীয়াভাৱে একগোট হৈ যোগ দিছিল। ৰডনি হিল্টন নামৰ ঐতিহাসিকজনৰ মতে এনে সমূহীয়া কৃষিকাৰ্যৰ পৰম্পৰাৰ পৰাই মেনোৰিয়েল বা মেনৰ প্ৰথাৰ বিকাশ লাভ ঘটিছিল। সাধাৰণতে প্ৰত্যেক পৰিয়ালৰে দুই ধৰণৰ মাটি আছিল। ইয়াৰে এক শ্ৰেণীৰ মাটিত বসন্তকালৰ আৰম্ভণিত নাঙলেৰে চহাই শস্য সিঁচা হৈছিল, আনহাতে আনবিধ মাটি ৰ'দত মোকলাই ৰখা হৈছিল। ইয়াত তেওঁলোকে কানি বা ভাং গছ গজিবলৈ দিছিল যাতে ইয়াত পোক-পতংগ তথা অন্য জীৱ-জন্তুৰ আগমন ঘটি ইহঁতৰ মল-মূত্ৰৰ দ্বাৰা অঞ্চলটো কিছুপৰিমাণে উৰ্বৰ হৈ পৰে। ভাং গছৰ পৰা বীজ সৃষ্টি হোৱাৰ আগে আগে পুনৰবাৰ হাল বাই ইয়াক মাটিৰ তলত পুতি মাটিৰ তলৰ তৰপটো ওপৰলৈ অনা হৈছিল। যদিও এই ব্যৱস্থা নাইট্ৰ'জেন সৃষ্টিৰ যোগেদি উৰ্বৰতা বৃদ্ধি কৰাৰ এক উল্লেখযোগ্য পদ্ধতি আছিল, কিন্তু ইয়াৰ বাবে দুবাৰকৈ মাটি চহাই তেওঁলোকে যথেষ্ট শ্ৰম আৰু ধন এইক্ষেত্ৰত ব্যয় কৰিব লগা হৈছিল।

নৱম আৰু দশম শতিকাত লাহে লাহে দুই প্ৰকাৰৰ মাটিৰ উপৰি এক তৃতীয় কৃষিভূমিত কৃষিকৰ্মৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। এতিয়া সালসলনিকৈ তিনিপ্ৰকাৰ কৃষিভূমিতে গম, যৱ, বাৰ্লি, মটৰমাহ শস্যৰ খেতি কৰাত উৎপাদন প্ৰক্ৰিয়া দ্ৰুততৰ হৈ পৰিছিল। তথাপি সামগ্ৰিকভাৱে সামন্তবাদীয় বিকাশৰ এই প্ৰথম পৰ্যায়ত যথোপযুক্ত কাৰিকৰী কলা-কৌশল তথা যাতায়াত আৰু পৰিবহন ব্যৱস্থাৰ পঁয়ালগা স্বৰূপৰ বাবে অৰ্থনৈতিক বিকাশ যথেষ্ট স্থবিৰ আছিল। সমসাময়িক উৎপাদন ব্যৱস্থাৰ প্ৰধান বাহক কৃষক শ্ৰেণীটোৰ জীৱন নিৰ্বাহৰ মানদণ্ড আছিল যথেষ্ট নিম্নমানৰ। মুঠতে, পুষ্টিহীনতা, সীমিত চিকিৎসা সংক্ৰান্তীয় জ্ঞানৰ বাবে সৰ্বসাধাৰণ কৃষকশ্ৰেণী বাৰুকৈয়ে এই সময়ছোৱাত জুৰুলা হ'ব লগা হৈছিল।

## সামন্তবাদৰ দ্বিতীয় পৰ্যায় (একাদশ শতিকা—চতুৰ্দশ শতিকা) ঃ

ইউৰোপত সামন্তবাদৰ বিকাশৰ এই দ্বিতীয় পৰ্যায়ত যথেষ্ট সংখ্যক পৰিবৰ্তন দেখিবলৈ পোৱা যায়। ইয়াৰে আটাইতকৈ উল্লেখযোগ্য আছিল অভূতপূৰ্ব হাৰত কৃষি উৎপাদন বৃদ্ধি আৰু জনসংখ্যা বিস্ফোৰণ। ব্যাপক ৰূপত কৃষিভূমি মুকলি কৰাৰ প্ৰক্ৰিয়া এটা এই সময়ছোৱাত আৰম্ভ হোৱাৰ লগে লগে ই কৃষি উৎপাদনৰ হাৰ অভাৱনীয়ভাৱে বৃদ্ধি কৰি তুলিছিল। কৃষি উৎপাদন ব্যৱস্থাটোত কিছু পৰিবৰ্তন এই সময়ছোৱাত সংঘটিত হৈছিল— যি আছিল মূলতঃ পূৰ্বৰ সমূহীয়া কৃষি উৎপাদন ব্যৱস্থাৰ সলনি নতুন ব্যক্তিগত ৰূপত কৃষি উৎপাদন ব্যৱস্থাৰ প্ৰচলন।

### জনসংখ্যাৰ দ্ৰুত বিকাশ ঃ

একাদশ শতিকাৰ ইউৰোপত জনসংখ্যাৰ অভূতপূৰ্ব বিকাশ এক লক্ষণীয় দিশ আছিল। জনসংখ্যা বিস্ফোৰণৰ এই প্ৰক্ৰিয়াটো চতুৰ্দশ শতিকালৈকে চলিছিল। ইয়াৰ এক প্ৰধান কাৰণ আছিল খ্ৰীঃ দশম শতিকাৰ পৰা বৰ্বৰ জাতিসমূহৰ আক্ৰমণৰ অৱসান। সামন্তীয় এলেকাবোৰত নিজস্ব বিচাৰালয় থকাৰ হেতু হত্যা-হিংসা কম হোৱাও এনে জনসংখ্যা বৃদ্ধিৰ আন এক কাৰক আছিল বুলিব পাৰি। জনসংখ্যা বৃদ্ধিৰ পৰিসংখ্যা বিশ্লেষণ কৰিলে দেখা যায় যে দশম শতিকাৰ ইউৰোপীয় জনসংখ্যা চতুৰ্দশ শতিকাত প্ৰায় দুগুণ হৈ পৰিছিল। জে.চি. ৰাচেলে তেওঁৰ গ্ৰন্থ 'Population in Europe, 500-1500'ত দৰ্শাইছে যে ৯৫০ খ্ৰীঃৰ ইউৰোপৰ জনসংখ্যা ২২.৫ মিলিয়নৰ পৰা ১৩৪৮ খ্ৰীঃৰ মহামাৰী প্লেগৰ আগে আগে প্ৰায় ৫৪.৫ মিলিয়নলৈ বৃদ্ধি পাইছিল। এম. কে. বেনেট নামৰ আন এজন গৱেষকৰ মতে ১০০০ খ্ৰীঃত ইউৰোপৰ জনসংখ্যা আছিল প্ৰায় ৪২ মিলিয়ন যি ১৩০০ খ্ৰীঃত ৭৩ মিলিয়নলৈ বৃদ্ধি পাইছিল।

### কৃষিক্ষেত্ৰত বিকাশ ঃ

জনসংখ্যাৰ অভূতপূৰ্ব বিকাশে একাদশ আৰু দ্বাদশ শতিকাৰ ইউৰোপত ব্যাপক হাৰত কৃষিভূমি মোকলোৱাৰ প্ৰক্ৰিয়া এটাত ইন্ধন যোগাইছিল। জনসংখ্যা বৃদ্ধি হোৱাৰ লগে খাদ্যদ্ৰব্যৰ প্ৰয়োজনো বৃদ্ধি হৈছিল আৰু এই বৰ্ধিত খাদ্যৰ যোগানৰ নিমিত্তে একো একোটা বৃহৎ অঞ্চল মুকলি কৰাৰ অঘোষিত প্ৰতিযোগিতাৰ সৃষ্টি হৈছিল। জাৰ্মানী, ফ্ৰান্স আৰু স্পেইনত বিশেষকৈ ঘন জংঘল কাটি কৃষিৰ উপযোগী কৰা হৈছিল। কোনো মৰুপ্ৰায় অঞ্চলত আকৌ কৃত্ৰিম জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছিল। ভূস্বামীসকলেও এই প্ৰক্ৰিয়াটোত তেওঁলোকৰ সম্পদ বৃদ্ধিৰ আশাত উদগনি যোগাইছিল। পশুচাৰণ পদ্ধতিকো যথেষ্টৰূপে সংগঠিত ৰূপ প্ৰদান কৰা হৈছিল।



দুৰ্ভিক্ষ যদিও একেবাৰে লুপ্ত হোৱা নাছিল কিন্তু খ্ৰীঃ দ্বাদশ শতিকালৈ ইয়াৰ হাৰ অভাৱনীয়ৰূপে হ্ৰাস পাইছিল।

কৃষিপথাৰৰ সম্প্ৰসাৰণ আৰু প্ৰথম পৰ্যায়ৰ শেষত তথা দ্বিতীয় পৰ্যায়ৰ আৰম্ভণিতে হোৱা কৃত্ৰিম জলসিঞ্চন ব্যৱস্থাৰ প্ৰচলন আদিৰ লগে লগে কৃষি উৎপাদন প্ৰক্ৰিয়াটোৰো কিছু পৰিবৰ্তন জৰুৰী হৈ পৰিছিল। কৃষিপথাৰৰ সম্প্ৰসাৰণৰ ফলত ব্যাপক কৃষিভূমি মুকলি হোৱাত আৰু পূৰ্বতকৈ উন্নত সা-সঁজুলিৰ ব্যৱহাৰ সুলভ হৈ উঠাত সমূহীয়া ব্যৱস্থাৰ পৰিবৰ্তে ব্যক্তিগতভাৱে উৎপাদন প্ৰক্ৰিয়া সাধিত হৈছিল। অৱশ্যে শস্যৰ পৰিবৰ্তে মুদ্ৰাৰ যোগেদি কৰ বা সেৱা আগবঢ়াব লগা এক নতুন পৰম্পৰা আৰম্ভ হোৱাত কৃষকসকল যথেষ্ট পৰিমাণে জুৰুলা হৈ পৰিছিল।



মধ্যযুগীয় *'Horse Shoe'*

### বেপাৰ-বাণিজ্যৰ বিকাশ ঃ

ঘন বসতিপূৰ্ণ এলেকাসমূহত নগৰৰ বিকাশ সম্ভৱ হৈ উঠিছিল। কৃষিক্ষেত্ৰৰ সম্প্ৰসাৰণ আৰু কৃষিত কাৰিকৰী প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত এচাম কৃষক শ্ৰেণীয়েই প্ৰয়োজনীয় খাদ্য উৎপাদন কৰিবলৈ যথেষ্ট আছিল আৰু বহু লোকে অন্যান্য বিভিন্ন বৃত্তিৰ লগত জড়িত হৈ পৰিছিল। নগৰসমূহৰ বিকাশ লাভ হৈছিল আৰু ইয়াত সদাগৰ, বণিকশ্ৰেণী, কাৰিকৰ, চিকিৎসক, বিভিন্ন বৃত্তিজীৱী লোকসকলে প্ৰাধান্য প্ৰতিষ্ঠা কৰিছিল। বিভিন্নজনে টকা ধাৰে দি, মাটি বন্ধকী লৈ এক বৃহৎ মুনাফা অৰ্জন কৰিছিল। এইক্ষেত্ৰত বিশেষকৈ ইহুদীসকলে আগভাগ লৈছিল, কিয়নো খ্ৰীষ্টান ধৰ্ম অনুসৰি সুদৰ বিনিময়ত টকা ধাৰলৈ দিয়াটো এক ঘোৰ পাপ আছিল। এই সময়ছোৱাত ধাতু তথা বস্ত্ৰশিল্পৰ ব্যাপক উন্নতি হোৱাৰ লগতে দূৰৱৰ্তী বাণিজ্যৰ যথেষ্ট সম্প্ৰসাৰণ ঘটিছিল। মুদ্ৰাৰ প্ৰয়োগ সীমিত আছিল যদিও ত্ৰয়োদশ শতিকাত সোণ আৰু বিশেষকৈ ৰূপৰ মুদ্ৰা ভেনিচ চহৰ, ফ্লৰেঞ্চ, ফ্ৰেন্দাৰ্চ, ইংলেণ্ড, ফ্ৰান্স, বহেমিয়া আদি চহৰত প্ৰচলন হ'বলৈ ধৰিছিল। মধ্যযুগীয় ইউৰোপৰ বেপাৰ-বাণিজ্যৰ বিকাশৰ বিষয়ে পৰৱৰ্তী পৃষ্ঠাত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

এনেদৰে দ্বিতীয় পৰ্যায়ৰ শেষৰফালে সামন্তবাদে নিজ চৰিত্ৰ হেৰুৱাই পেলাইছিল।

প্ৰায় ৫২০ বছৰজুৰি ব্যাপ্ত থকা সামন্তবাদে এই সমগ্ৰ সময়ছোৱাত যথেষ্ট পৰিৱৰ্ত মাজেৰে অগ্ৰসৰ হৈছিল। প্ৰথম অৱস্থাত ৰজা আৰু সামন্তৰ মাজৰ বুজাপৰা প্ৰথাৰ সময়ত কৃষকৰ ব্যাপক শোষণলৈ পৰ্যবসিত হৈছিল। দ্বিতীয় পৰ্যায় সামন্তপ্ৰভুসকলৰ মাজতেই বিভিন্ন স্তৰৰ সৃষ্টি হৈছিল। কৃষিত নতুন প্ৰযুক্তি ভাৰী নাঙল, ঘোঁৰাৰ গলবান্ধ, তিনি তৰপীয়া কৃষিভূমিৰ ব্যৱহাৰ তথা বলধৰ কৃষিত ঘোঁৰাৰ প্ৰচলন আদিয়ে কৃষি উৎপাদন যথেষ্ট ৰূপত বৃদ্ধি কৰিলে। অৱ ত্ৰয়োদশ শতিকাত মুদ্ৰাৰ ৰূপত কৰ বা সেৱা পৰিশোধ কৰিবলগীয়া এক পৰি সৃষ্টি হোৱাত সাধাৰণ কৃষকৰ অৱস্থা অধিক অৱনমিত হৈ পৰিছিল আৰু এনে অৱস্থা মজুৰিভিত্তিক এক শ্ৰমিক শ্ৰেণী (Hired Labour)ৰ বিকাশ প্ৰয়োজনীয় হৈ উঠি চতুৰ্দশ শতিকাত ক্ৰমান্বয়ে সামন্তবাদৰ অৱক্ষয় আৰম্ভ হৈছিল যাৰ বিষয়ে এই অধ্যা শেষৰফালে বহলাই আলোচনা কৰা হৈছে।

## মধ্যযুগীয় ইউৰোপত বাণিজ্যৰ বিকাশ
## [Rise of Trade in Europe (500 AD–1400 AD)]

যদিও মধ্যযুগীয় ইউৰোপৰ অৰ্থনীতি কৃষিভিত্তিক আছিল এই সময়ছোৱা বেপাৰ-বাণিজ্যৰো যথেষ্ট অগ্ৰগতি তথা সম্প্ৰসাৰণ ঘটিছিল। স্থলপথৰ বাণিজ্য লগতে সামুদ্ৰিক বাণিজ্যৰ বাবে ১০০০—১৩০০ খ্ৰীঃৰ সময়ছোৱা আছিল ইউৰোপ বাণিজ্যিক ইতিহাসৰ এক সাফল্যতাৰ যুগ। এই সমগ্ৰ সময়ছোৱাত ইউৰোপত জনসংখ্যা বিস্ফোৰণ, কৃষিত নতুন প্ৰযুক্তিগত কাৰিকৰী কৌশলৰ ব্যৱহাৰ, নগৰীকৰণৰ বিক তথা মুদ্ৰা অৰ্থনীতিৰ বিকাশ সাধন হৈছিল। ইটালীৰ সদাগৰসকলে প্ৰাচ্য আৰু পাশ্চাত্যৰ বাণিজ্যিক যোগসূত্ৰ স্থাপনকাৰীৰ ভূমিকা পালন কৰিছিল। দশম শতিকা বাণিজ্যিক নগৰ হিচাপে উত্থান হোৱা ভেনিচ চহৰে পূবে বাইজেণ্টাইন ৰোমান সাম্ৰাজ্য দক্ষিণে ঐচলামিক ভূখণ্ড তথা পশ্চিমে কেথলিক দেশসমূহৰ সৈতে বাণিজ্যিক আদান প্ৰদান কৰিছিল। জেনোৱা, পিচা, চিয়েনা, ফ্লৰেঞ্চ, মিলান আদি নগৰৰ উত্থানৰ আঁৰত বাণিজ্যিক সম্প্ৰসাৰণেই আছিল মূল কাৰক। চতুৰ্দশ শতিকাৰ পৰা ইউৰোপীয় দেশসমূহে ব্যাপকভাৱে সামুদ্ৰিক বাণিজ্য সম্প্ৰসাৰণ প্ৰক্ৰিয়াত জড়িত হৈ পৰিছিল। বিভিন্ন বাণিজ্যিক বন্দৰ ভাৰত মহাসাগৰ আৰু ভূমধ্যসাগৰীয় তীৰৱৰ্তী এলেকাত গঢ়ি লৈ উঠিছিল। পৰ্তুগীজসকলে ইয়াৰে অন্যতম বাণিজ্যিক দেশ তথা জাতিৰূপে নিজকে সমসাময়িক ইউৰোপত প্ৰতিষ্ঠিত কৰিছিল। বিভিন্ন বাণিজ্যিক কোম্পানী ইংলেণ্ড, হলেণ্ড, ফ্ৰান্সত গঠন কৰা হৈছিল। উল্লেখ্য যে এনেদৰে সংগঠিত হোৱা ইংলেণ্ডৰ



ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়েই পৰৱৰ্তী সময়ছোৱাত ভাৰতবৰ্ষত উপনিৱেশ প্ৰতিষ্ঠা কৰিছিল।

ইউৰোপীয় ইতিহাসত খ্ৰীঃ ষষ্ঠ শতিকাৰ পৰা দশম শতিকালৈকে অন্ধকাৰ যুগ আখ্যা দিয়া হয়। এই সময়ছোৱাত বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰত আৰু মুদ্ৰা অৰ্থনীতিত দেখা দিয়া বিশৃংখলতা ইয়াৰ অন্যতম প্ৰধান কাৰকস্বৰূপ আছিল। অৱশ্যে শেহতীয়া কিছু গৱেষণাৰ অন্তত পোহৰলৈ আহিছে যে এই সময়ছোৱাতো সম্পূৰ্ণৰূপে বেপাৰ-বাণিজ্য অন্তৰ্ধান হোৱা নাছিল। ইউৰোপৰ কিছু অঞ্চল যেনে— এড্ৰিয়াটিক সাগৰ, বাল্টিক সাগৰ আৰু উত্তৰ মহাসাগৰৰ অঞ্চলবিশেষে সামুদ্ৰিক বাণিজ্য বাহাল আছিল। কনষ্টাণ্টিনোপল প্ৰাচ্য-পাশ্চাত্যৰ বাণিজ্যৰ মিলনসেতু স্বৰূপ আছিল। যি কি নহওক, খ্ৰীঃ একাদশ শতিকাত সামুদ্ৰিক বাণিজ্য দ্ৰুত হাৰত বিকশিত হৈছিল। বহুতে ধৰ্মযুদ্ধ বা ক্ৰুছেদৰ জৰিয়তে প্ৰাচ্য-পাশ্চাত্যৰ দুৱাৰ মুকলি হোৱাটো বাণিজ্যৰ এনে দ্ৰুত বিকাশৰ এক অন্যতম কাৰক বুলি বিবেচনা কৰে। বহুসংখ্যক ঐতিহাসিকৰ মতে আকৌ জনসংখ্যা বিস্ফোৰণৰ জৰিয়তে আভ্যন্তৰীণ কৃষি অৰ্থনীতিৰ বিকাশ ঘটি বাহি উৎপাদনৰ সৃষ্টি হৈ এই সময়ছোৱাত বাণিজ্যৰ বিকাশ ঘটিছিল। উন্নত যোগাযোগ আৰু পৰিবহন ব্যৱস্থাৰ উত্থানে এই প্ৰক্ৰিয়াটোত বিশেষভাৱে ইন্ধন যোগাইছিল।

বাণিজ্যকৃত সামগ্ৰীসমূহৰ ভিতৰত প্ৰধান আছিল খাদ্যদ্ৰব্য, নিমখ, মছলা, বস্ত্ৰ, ধাতু তথা অন্যান্য বিলাসী পণ্যদ্ৰব্যসমূহ। খনিজাত তথা ধাতুগত শিল্পৰ বিকাশৰ লগে লগে লোহা, কপাৰ, জিংক, ৰূপ, পাৰা আদিৰ বাণিজ্যও সংঘটিত হৈছিল। পূব ইউৰোপৰ পৰা কাঠ সমগ্ৰ ইউৰোপলৈ সৰবৰাহ হৈছিল যাৰ দ্বাৰা গৃহনিৰ্মাণৰ লগতে জাহাজ নিৰ্মাণ প্ৰক্ৰিয়াটো ঠন ধৰি উঠিছিল। যদিও সমগ্ৰ ইউৰোপতে বাণিজ্যিক সৰবৰাহ সংঘটিত হৈছিল কিছু অঞ্চলবিশেষ যেনে উত্তৰ ইটালী, উত্তৰ-পশ্চিম ইটালী, উত্তৰ-পূব ইউৰোপে এইক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিছিল।

খ্ৰীঃ নৱম শতিকাত বাইজেণ্টাইন সাম্ৰাজ্যই ৰাছিয়াৰ সৈতে বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিছিল। কনষ্টাণ্টিনোপলত সুগন্ধি আতৰ, ৰেচম বস্ত্ৰৰ বিশেষভাৱে বেচা-কিনা কৰা হৈছিল। উত্তৰ-পশ্চিম ইউৰোপৰ ফ্ৰিচিয়ানসকলে মৎস্য, খাদ্যদ্ৰব্য, বস্ত্ৰ, মদ আদিৰ বেপাৰ কৰিছিল। নৱম আৰু দশম শতিকাত স্কেণ্ডিভিয়ানসকলে মৌজোল, বস্ত্ৰ, দাসৰ ব্যৱসায় কৰিছিল। তেওঁলোকে পূবৰ বিশ্বৰ পৰা মছলা, বস্ত্ৰ, মদ, ধাতুদ্ৰব্য ৰপ্তানি কৰিছিল। এনেদৰে পূব বিশ্বৰ বিলাসী বহু পণ্যদ্ৰব্য যেনে কপাহী আৰু ৰেচম বস্ত্ৰশিল্প, তেল, মছলা ইত্যাদি পাশ্চাত্যত উপলব্ধ হৈ পৰিছিল। দশম শতিকাত ইটালিৰ সদাগৰসকল প্ৰভাৱশালী হৈ উঠিছিল আৰু প্ৰাচ্যৰ পৰা ৰেচমী বস্ত্ৰ, মখমল, দামাস্ক

নামে এক বিশেষ ৰেচমী বস্ত্ৰ, ৰাছিয়ান ফাৰ, মছলাজাতীয় দ্ৰব্য, ৰঞ্জক পদাৰ্থ আমদানি কৰিছিল। এই দ্ৰব্যসমূহ তেওঁলোকে সমগ্ৰ ইউৰোপৰে বিভিন্ন বজাৰলৈ বিক্ৰী কৰিছিল। প্ৰাচ্যলৈ ইটালীৰ সদাগৰসকলে কাঠ, উণী কাপোৰ আৰু দাস বিশেষভাৱে ৰপ্তানি কৰিছিল। অৱশ্যে যদিও ইটালীৰ সদাগৰসকলে প্ৰাচ্যৰ পৰা আমদানিকৃত দ্ৰব্য সংগ্ৰহ কৰি পশ্চিম আৰু মধ্য ইউৰোপত বিক্ৰী কৰিছিল, লাহে লাহে ইটালীতে বিভিন্ন নগৰ চহৰত এনে কিছু দ্ৰব্য উৎপাদনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল।

উত্তৰ ইউৰোপৰ বাণিজ্যজাত সামগ্ৰীসমূহৰ ভিতৰত প্ৰধান আছিল খাদ্যশস্য, মাছ আৰু কাঠ। সোম ভেলী আৰু চিয়েন অঞ্চলটোৱে খাদ্যশস্যৰ ব্যাপক যোগান ধৰিছিল। বৰডিক্স অঞ্চলটোত সুৰাৰ উৎপাদন তথা বাণিজ্য যথেষ্ট পৰিমাণে ঠন ধৰি উঠিছিল। নেডাৰলেণ্ড, ফ্লেন্দাৰ্চ আদিৰ ঘন জংঘলৰ পৰা কাঠ সংগ্ৰহ কৰা হৈছিল। উত্তৰ জাৰ্মানীৰ নগৰসমূহে নিমখৰ সৰবৰাহত মধ্যস্থতাকাৰীৰ ভূমিকা গ্ৰহণ কৰিছিল। বৰ্নফ উপসাগৰৰ তীৰত নিমখ যথেষ্ট হাৰত উৎপাদন হৈছিল। ঐচ্লামিক দুনিয়াৰ সদাগৰসকলে দক্ষিণ ইউৰোপৰ পৰা ফ্ৰেংকেসকলৰ তৰোৱাল, ইউৰোপীয় কাঠ, লোহা, টিন, কপাৰ আদি আমদানি কৰাৰ পৰিবৰ্তে বস্ত্ৰ, মছলাজাতীয় দ্ৰব্য ৰপ্তানি কৰিছিল। বহেমিয়া, ম'ৰাভিয়া, পোলেণ্ড আৰু ৰাছিয়াই দাস, মৌজোল, মম, ফাৰযুক্ত বস্ত্ৰ যোগান ধৰিছিল। বহেমিয়াই ফ্লেন্দাৰ্চ, মেইনজ আদিৰ পৰা বস্ত্ৰ আমদানি কৰিছিল। বহেমিয়াৰ বাণিজ্যিক সম্পৰ্ক পোলেণ্ড আৰু হাংগেৰী পৰ্যন্ত আছিল।

হাংগেৰীৰ পৰা খনিজাত পদাৰ্থ আৰু পশুধন উত্তৰ জাৰ্মানী, ইটালি আৰু ভিয়েনালৈ ৰপ্তানি হৈছিল। ত্ৰয়োদশ শতিকাত ধাতুজাত আৰু অন্য বিলাসী সামগ্ৰী পোলেণ্ডৰ পৰা বিভিন্ন অঞ্চললৈ ৰপ্তানি কৰা হৈছিল। ফ্লেন্দাৰ্চত বস্ত্ৰশিল্পৰ বাণিজ্যৰ উত্থান ঘটিছিল। ইংলেণ্ড আৰু স্পেইনৰ পৰাও ভূমধ্য সাগৰীয় অঞ্চলটোত উণী বস্ত্ৰৰ আগমন ঘটিছিল। পৰিসংখ্যাৰ ফালৰ পৰা ক'বলৈ গ'লে ১২৭৩ খ্ৰীঃত ইংলেণ্ডে ৩৫,০০০ থৈলী উণী কাপোৰ নিজৰ দেশৰ পৰা ৰপ্তানি কৰিছিল আৰু ছুইডেনে প্ৰায় ২৪,০০০ টন নিমখ আমদানি কৰিছিল। বৰডিক্সে বাৰ্ষিক হাৰত প্ৰায় ১০,০০০ টন সুৰা নিজ অঞ্চলৰ পৰা ইউৰোপীয় তথা আন অঞ্চললৈ যোগান ধৰিছিল। প্ৰায়বোৰ এনে বাণিজ্য সামুদ্ৰিক পথেৰে সংঘটিত হৈছিল।

**ৰাণিজ্যিক পথ (Trade Routes) ঃ**

মধ্যযুগীয় ইউৰোপত প্ৰধানকৈ স্থলপথ আৰু জলপথ উভয়েৰে বাণিজ্যিক আদান-প্ৰদান সংঘটিত হৈছিল। আৰবৰ সদাগৰসকলে এই বাণিজ্যিক পথ সম্প্ৰসাৰণত প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। বিশেষকৈ কাৰাভান পথসমূহেৰে ভূমধ্যসাগৰীয় এলেকাৰ সৈতে ইৰান, চীন, ভাৰতবৰ্ষৰ সৈতে বাণিজ্য চলিছিল। জলপথৰ ক্ষেত্ৰত প্ৰধান বিচৰণস্থলী আছিল ভূমধ্যসাগৰ, বাল্টিক সাগৰ, আটলাণ্টিক মহাসাগৰ, ভাৰত মহাসাগৰ আৰু আৰব সাগৰ। একাদশ শতিকাত ইটালিৰ সদাগৰসকলে ঘাইকৈ চাৰিটা প্ৰধান বাণিজ্যিক পথ ব্যৱহাৰ কৰিছিল। প্ৰথমটো পথ চীনৰ পৰা কৃষ্ণসাগৰলৈ ব্যাপ্ত আছিল যি দক্ষিণ চাইবেৰিয়া হৈ অগ্ৰসৰ হৈছিল। দ্বিতীয়টো পথ তুৰ্কীস্থানৰ মৰুভূমিৰ মাজেৰে ইৰাণৰ সৈতে সংযুক্ত আছিল। এই দুয়োটা পথ আছিল কাৰাভান পথ যি স্থলপথেৰে ব্যাপ্ত আছিল। এই দুটা পথৰ উপৰি জলপথৰ ক্ষেত্ৰত একাদশ শতিকাত ইউৰোপৰ প্ৰধান দুটা পথ আছিল ভাৰত মহাসাগৰ হৈ পাৰস্য উপসাগৰ আৰু আন এটা লোহিত সাগৰ হৈ চুৱেজৰ তীৰৱৰ্তী উপকূল অঞ্চল।



একাদশ শতিকাৰ পাছত ইটালিৰ আৰু অন্য সদাগৰসকলে বাণিজ্যৰ বাবে ইংলেণ্ড আৰু ফ্ৰান্সৰ মাজেৰে জলপথ ব্যৱহাৰ কৰিছিল। হলেণ্ডৰ মাজেৰে নদ-নদী তথা খালেৰে বাণিজ্যৰ প্ৰচলন হ'বলৈ ধৰাত হলেণ্ড এক বাণিজ্য কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিছিল। ইউৰোপৰ প্ৰায়বোৰ নদ-নদী যেনে ৰাইন নদী, ৰেজাৰ, এলবা, ৰণ, গেৰণ নদী আদি বাণিজ্যত ব্যৱহৃত হৈছিল। ইংলেণ্ডৰ এনে প্ৰধান নদী আছিল থেমচ্, এভন, ট্ৰেন্ট যি আভ্যন্তৰীণ বাণিজ্যৰ প্ৰধান চালিকাশক্তি আছিল। পশ্চিম ইউৰোপত বাণিজ্যিক সৰবৰাহৰ বাবে ভল্গা নদী ব্যাপক ৰূপত ব্যৱহাৰ কৰা হৈছিল। উল্লেখ্য যে মধ্যযুগীয় ইউৰোপীয় সামুদ্ৰিক বাণিজ্যৰ সম্প্ৰসাৰণত জাহাজ নিৰ্মাণ শিল্পই অবিস্মৰণীয় ভূমিকা পালন কৰিছিল।

**মধ্যযুগীয় ইউৰোপৰ বাণিজ্যস্থলী—বজাৰ আৰু মেলা ঃ**

মধ্যযুগীয় ইউৰোপত বাণিজ্যিক দ্ৰব্যসমূহ বেচা-কিনা কৰিবৰ বাবে নিৰ্দিষ্ট কিছু বাণিজ্যস্থলী আছিল। বাণিজ্যিক সম্প্ৰসাৰণৰ লগে লগে ইউৰোপৰ বিভিন্ন অঞ্চলত বাণিজ্যিক দ্ৰব্যসমূহ বেচা-কিনা কৰাৰ নিৰ্দিষ্ট কিছু অনুষ্ঠান সংগঠিত ৰূপত গঢ় লৈ উঠিছিল যাক দুটা ভাগত ভগাব পাৰি— (১) হাট-বজাৰ আৰু (২) মেলা (Fair)।

**হাট-বজাৰ ঃ** ইউৰোপত এই সময়ছোৱাত বাণিজ্যৰ সম্প্ৰসাৰণ হোৱাৰ লগে লগে কিছু কিছু অঞ্চলত হাট-বজাৰ সমৃদ্ধ নগৰ গঢ় লৈ উঠিছিল। প্ৰত্যেক নগৰতেই একোখনকৈ হাট-বজাৰ আছিল আৰু বৃহৎ নগৰসমূহত একাধিক এনে হাট-বজাৰ গঢ়ি উঠিছিল। ইউৰোপৰ প্ৰধান চহৰসমূহ যেনে লণ্ডন, পেৰিচ, মস্কো, বাৰ্চিলোনা, ভেনিচ, মাদ্ৰিদ, লচিবন, ৰেভেৰিয়া, লায়নচ্ ইত্যাদিত বৃহৎ হাট-বজাৰ গঢ় লৈ উঠিছিল। এনে বৃহৎ বজাৰসমূহত কিছুমান দ্ৰব্য যেনে শস্য, মাছ, গো-মাংস, বস্ত্ৰ, অন্য জীৱ-জন্তু, সুৰা, মাখন, পনিৰ, ফল-মূল আদি বিশেষভাৱে উপলব্ধ আছিল।

**মেলা ঃ** মেলাসমূহৰ প্ৰাথমিক বৈশিষ্ট্য প্ৰথমাৱস্থাত ধৰ্মীয় বা উৎসৱ-পাৰ্বন উদ্‌যাপনজনিত আছিল যদিও বাণিজ্য সম্প্ৰসাৰিত হোৱাৰ লগে লগে এইবোৰে কালক্ৰমত একো একোটা বাণিজ্যিক কেন্দ্ৰলৈ পৰ্যবসিত হৈ পৰিছিল। এনে মেলাসমূহ অঞ্চল অনুযায়ী বিভিন্ন সময়ত সুকীয়া সুকীয়া ব্যৱধানত অনুষ্ঠিত হৈছিল। কেতিয়াবা মাহেকত এবাৰকৈ, বছৰেকত এবাৰ বা দুবাৰকৈ আৰু কেইবাবছৰৰ মূৰে মূৰে অঞ্চলবিশেষে এই মেলাসমূহ উদ্‌যাপিত তথা অনুষ্ঠিত হৈছিল। কিছু মেলা নিৰ্দিষ্ট একশ্ৰেণীৰ দ্ৰব্যৰ আয়োজনেৰে অনুষ্ঠিত হোৱাৰ বিপৰীতে সৰহসংখ্যক মেলাতেই বিভিন্ন শ্ৰেণীৰ দ্ৰব্যৰ সমাগম ঘটিছিল। ইয়াৰ ভিতৰত প্ৰধান আছিল দাস, পশুধন, শস্যসামগ্ৰী, শিল্পজাত দ্ৰব্য, বিলাসী সামগ্ৰী, সুৰা ইত্যাদি। মধ্যযুগীয় ইউৰোপত অনুষ্ঠিত হোৱা এনে এক উল্লেখযোগ্য মেলা আছিল চেম্পেনৰ মেলা। এনে মেলাসমূহ সাধাৰণতে স্থানীয় সামন্তশ্ৰেণীয়ে অনুষ্ঠিত কৰিছিল আৰু প্ৰত্যেক বিপনিৰ পৰা কৰ সংগ্ৰহ কৰি এক ব্যাপক মুনাফা অৰ্জন কৰিছিল।

একাদশ শতিকাত চেইণ্ট ডেনিচ নামে অঞ্চলত জুন মাহত 'লেণ্ডিত মেলা' নামে এক বিশেষ ধৰ্মীয় মেলা অনুষ্ঠিত হৈছিল। পৰৱৰ্তী সময়ত অন্য এখন মেলা ইয়াৰ লগত সংযুক্ত হৈ ১২১৩ খ্ৰীঃত 'The Lendit of the Plain of St. Denis' নাম লাভ কৰিছিল। একাদশ শতিকাৰ ফ্লেন্দাৰ্চৰ টৰহাট মেলা (Fair at Torhout) অন্যতম এক জনপ্ৰিয় মেলা আছিল। যি কি নহওক, চেম্পেনৰ মেলাসমূহ আছিল মধ্যযুগীয় ইউৰোপৰ আটাইতকৈ জনপ্ৰিয় মেলা। চেম্পেনত চাৰিখন বৃহৎ মেলা অঞ্চলবিশেষে আয়োজিত হৈছিল। এই মেলাসমূহত ফ্ৰান্স, ইটালি, ইংলেণ্ড, জাৰ্মানী, চুইজাৰলেণ্ডৰ বণিকসকলে ৰেচমী বস্ত্ৰ, উলী বস্ত্ৰ, চামৰা, মছলা, মম, চেনী, শস্য, সুৰা, ধোঁৱা ইত্যাদি বিক্ৰীৰ বাবে মজুত কৰিছিলহি। ত্ৰয়ৰ মেলাও এক উল্লেখযোগ্য বাণিজ্যস্থলী হিচাপে বিবেচিত হৈছিল।

এই মেলাসমূহত সকলো স্তৰৰ মানুহৰ সমাবেশ ঘটিছিল। সদাগৰশ্ৰেণী, মধ্যভোগী, ক্ষুদ্ৰ বিক্ৰেতা তথা সাধাৰণ জনসাধাৰণৰ সমাৱেশত এনে মেলাসমূহ মুখৰিত হৈ পৰিছিল। দূৰৱৰ্তী অঞ্চলসমূহৰ বিশিষ্ট সদাগৰ তথা বিক্ৰেতা শ্ৰেণীকো এই স্থানীয় মেলাসমূহে যথেষ্ট পৰিমাণে আকৰ্ষিত কৰিছিল। মেলাৰ সমান্তৰালভাৱে টকা ধাৰে দিয়া, বন্ধকী হিচাপে ৰখা আদি কিছু পৰম্পৰাও সেই সময়ছোৱাত বাহাল আছিল। ঐতিহাসিক ব্ৰডেলে 'The Wheels of Commerce' গ্ৰন্থত মেলা সম্পৰ্কে এনেদৰে কৈছে— "If the fair is envisaged as a pyramid, the base consist of the many minor transactions in local goods, usually perishable



and cheap, then one moves up towards the luxury goods, expensive and transported from far away, at the very top of pyramid came the active money market without which business could not be done at all or any rate not at the same price. It does seem that the fairs were developing in such way as, on the whole to concentrate on credit rather than commodities, on the tip of the pyramid rather than the base."

**বাণিজ্যিক লেন-দেন প্ৰক্ৰিয়া ঃ**

মধ্যযুগীয় ইউৰোপত বাণিজ্যিক সম্প্ৰসাৰণৰ লগে লগে লেন-দেন প্ৰক্ৰিয়াজনিত কিছু নতুন ব্যৱস্থাৰ সূচনা হৈছিল। সাধাৰণতে বাণিজ্যৰ বাবে যথেষ্ট পৰিমাণৰ মূলধনৰ প্ৰয়োজন হৈছিল। সামুদ্ৰিক বাণিজ্যৰ আন এক প্ৰত্যাহ্বান আছিল সাগৰীয় দস্যু (Pirates) শ্ৰেণী, যাৰ বাবে দূৰণিবটীয়া বাণিজ্যিক যাত্ৰাত যথেষ্টসংখ্যক মুদ্ৰা সৰবৰাহ কৰাটো যথেষ্ট বিপদসংকুল আছিল। এনেবোৰ পৰিস্থিতিত মধ্যযুগীয় ইউৰোপীয় বাণিজ্যক্ষেত্ৰখনত টকা ধাৰলৈ দিয়া, বন্ধকত ৰখা, টকাৰ বিনিময় কৰাৰ প্ৰথা উদ্ভৱ হোৱাৰ লগতে গীল্ড আৰু আটাইতকৈ উল্লেখযোগ্য বেংক প্ৰতিষ্ঠানৰ উদ্ভৱ হৈছিল।

বাণিজ্যিক ব্যাপকতা বৃদ্ধি পাই অহাৰ লগে লগে এনে বাণিজ্যিক কাৰ্যকলাপত যথেষ্ট অৰ্থৰ প্ৰয়োজন হৈছিল যাৰ বাবে সুদত টকা ধাৰলৈ দিয়া প্ৰথাৰ উদ্ভৱ হয়। মধ্যযুগীয় ইউৰোপৰ বহু চহকী সম্ভ্ৰান্ত বৃত্তিশীল শ্ৰেণীটো এইক্ষেত্ৰত আগবাঢ়ি আহিছিল। অৱশ্যে বহু পূৰ্বৰ পৰাই কিছু পৰিমাণে সামুদ্ৰিক যাত্ৰাত টকা ধাৰলৈ লোৱাৰ পৰম্পৰা ইউৰোপত প্ৰচলিত আছিল। এনে সামুদ্ৰিক যাত্ৰাৰ (Voyage) সময়ত লোৱা ধনৰ ক্ষেত্ৰত মাত্ৰাধিক সুদ প্ৰয়োগ কৰা হৈছিল। এনে লেন-দেনসমূহ নথিভুক্ত কৰা হৈছিল যাতে পৰৱৰ্তী সময়ছোৱাত দুই পক্ষৰ মাজত কোনো বিবাদ তথা খামখেয়ালিৰ সৃষ্টি নহয়। ইয়াৰ উপৰি বাণিজ্যিক লেনদেনৰ ক্ষেত্ৰত বিশেষভাৱে 'Fair Letter' নামেৰে এক দলিলসদৃশ পত্ৰ নগৰৰ মেজিষ্ট্ৰেটৰ উপস্থিতিত চহী কৰা হৈছিল।

সমসাময়িক ইউৰোপত সুদৰ বিনিময়ত টকা ধাৰলৈ দিয়া প্ৰথা খ্ৰীষ্টান ধৰ্মমতে নিষিদ্ধ আছিল। ইছলাম ধৰ্ময়ো এইক্ষেত্ৰত অনুৰূপ দৃষ্টিভংগী প্ৰদৰ্শন কৰিছিল। ফলস্বৰূপে ত্ৰয়োদশ শতিকাৰ ইউৰোপত এনে ধৰ্মীয় নিৰ্দেশনাৰ বহিৰ্ভূত ইহুদীসকল টকা ধাৰলৈ দিয়া প্ৰক্ৰিয়াৰ লগত ব্যাপকভাৱে জড়িত হৈ পৰিছিল। মুদ্ৰাসমূহ বিভিন্ন নামেৰে জনা গৈছিল যেনে— ফ্লৰিন্স, ডুকেটচ্, গিল্ডাৰ, পাউণ্ড ইত্যাদি। মুদ্ৰাৰ মূল্য ইয়াত ব্যৱহৃত ধাতুৰ মূল্যৰ ওপৰত নিৰ্ভৰশীল আছিল। খ্ৰীঃ নৱম শতিকাত মুদ্ৰাৰ

সালসলনি কৰা এক 'বান্‌চেৰি' নামৰ বৃত্তজীৱী শ্ৰেণীৰ উদ্ভৱ হৈছিল যি দ্বাদশ শতিকা যথেষ্ট প্ৰভাৱশালী হৈ পৰিছিল।

মুদ্ৰা সালসলনি কৰা এই শ্ৰেণীটোৱে কালক্ৰমত বেংক ব্যৱস্থাৰ জন্ম দিছিল ইয়াৰ যোগেদি টকা জমাৰ লগতে সুদত টকা ধাৰলৈ দিয়া প্ৰথাই আনুষ্ঠানিক ৰূপ লাভ কৰিছিল। ত্ৰয়োদশ শতিকাত ইউৰোপত বেংক প্ৰতিষ্ঠানে সুসংগঠিত ৰূপ বিকাশ লাভ কৰিছিল। ইটালীত মূখ্যতঃ এনে ধৰণৰ প্ৰতিষ্ঠান গঢ়ি উঠিছিল আৰু ক্ৰমান্বয়ে জেনোৱা, লুক্কা, ফ্ল'ৰেন্স, ৰোম, ভেনিচ আদি চহৰত ই বিয়পি পৰিছিল ১৩৩৮ খ্ৰীঃত ফ্লৰেন্সতে প্ৰায় ৮০টা বেংক গঢ় লৈ উঠিছিল। ইটালীৰ 'The Medici Bank' পঞ্চদশ শতিকাৰ ইউৰোপৰ এক অন্যতম গুৰুত্বপূৰ্ণ বেংক প্ৰতিষ্ঠান আছিল

## শিল্পৰ বিকাশ (Craft Production) ঃ

ক্ৰমে বৃদ্ধি পাই অহা বাণিজ্যিক কাৰ্যকলাপ তথা বৰ্ধিত মুনাফাই মধ্যযুগীয় ইউৰোপত বিভিন্ন শিল্পৰ বিকাশত অৰিহণা যোগাইছিল। ইয়াৰে ভিতৰত প্ৰধান আছিল বস্ত্ৰশিল্প, কাঁচ আৰু ধাতুশিল্পৰ বিকাশ। বৰ্ধিত জনসংখ্যাই বিভিন্ন দ্ৰব্য তথা সেৱাৰ প্ৰয়োজনীয়তা সৃষ্টি কৰিছিল। ইয়াৰ লগতে এনে শিল্পৰ বাবে প্ৰয়োজনীয় শ্ৰমিক শ্ৰেণীটোৰো যোগান মধ্যযুগীয় ইউৰোপৰ জনসংখ্যা বিস্ফোৰণৰ লগে লগে বৃদ্ধি পাই আহিছিল। ইংলেণ্ডত বিশেষকৈ উণী বস্ত্ৰশিল্পৰ বিকাশ ঘটিছিল। গ্ৰাম্য অঞ্চলৰ পৰা নগৰলৈ বৃদ্ধি পাই অহা ক্ৰমবৰ্ধমান সোঁতেও এনে শিল্পৰ উদ্ভৱ তথা বিকাশত ইন্ধন যোগাইছিল। এনেদৰে বৰ্ধিত বাণিজ্যিক ক্ৰিয়াকলাপত এক সাংগঠনিক ভিত্তি প্ৰদান কৰিছিল 'গীল্ড' নামৰ সদাগৰ আৰু বৃত্তিজীৱী শ্ৰেণীৰ এক সংগঠনে। তলত মধ্যযুগীয় ইউৰোপত শিল্পৰ বিকাশ সম্পৰ্কে সবিশেষ বিতংকৈ আলোচনা কৰা হ'ল।


**(ক) বস্ত্ৰশিল্পৰ বিকাশ ঃ** বস্ত্ৰশিল্পৰ বিকাশ সম্ভৱতঃ প্ৰতিটো সভ্যতাৰে এক প্ৰাৰম্ভিক উৎপাদনৰ নজিৰ হিচাপে পৰিগণিত হৈ আহিছে। মধ্যযুগীয় ইউৰোপৰ ৰপ্তানিজাত প্ৰধান দ্ৰব্যবিধেই আছিল বস্ত্ৰ (Textile)। এইক্ষেত্ৰত উণী বস্ত্ৰ (Woolen Cloth) ইউৰোপৰ পৰা বিশ্বৰ বিভিন্ন প্ৰান্তলৈ সৰবৰাহ ঘটিছিল। এইক্ষেত্ৰত ভেড়াৰ পৰা উণ সংগ্ৰহ কৰি এনে কেঁচামালক বিক্ৰীজাত সামগ্ৰীত পৰিণত কৰাৰ সমগ্ৰ প্ৰক্ৰিয়াটোত ইউৰোপৰ বিভিন্ন অঞ্চল সংলগ্ন হৈ পৰিছিল। ক্ৰমান্বয়ে উণী শিল্পজাত বস্ত্ৰ ইংলেণ্ড আৰু ইটালীৰ সদাগৰসকলৰ মুনাফা আদায় কৰাৰ এক প্ৰধান উৎসলৈ পৰিণত হৈছিল। উত্তৰ ইটালীত 'পো' অববাহিকাৰ অঞ্চলটোত উণী বস্ত্ৰশিল্পৰ বিকাশ ঘটিছিল। ভেৰনা অঞ্চলটোত ব্যাপক হাৰত কম্বল তৈয়াৰী হৈছিল। ইংলেণ্ডৰ উণী বস্ত্ৰ যথেষ্ট উচ্চ মানবিশিষ্ট আছিল। বস্ত্ৰত ৰং প্ৰয়োগৰ বাবে প্ৰয়োজনীয় ৰঞ্জক পদাৰ্থ



বিশেষকৈ 'নীল' ভাৰতৰ পৰা আৰু 'কাৰ্মচ' ভূমধ্য সাগৰীয় অন্য অঞ্চলৰ পৰা সংগ্ৰহ কৰা হৈছিল। ৰঙীন উণী হলৌচোলা (Cloak) সমসাময়িক মধ্যযুগীয় ইউৰোপৰ আভিজাত্যৰ প্ৰতীকস্বৰূপ আছিল।

দক্ষিণ ফ্ৰান্সৰ চেইন্ট অ'মেৰ, টুৰ্ণাই অঞ্চলত বস্ত্ৰ তৈয়াৰ কৰা হৈছিল। ইটালীৰ সদাগৰসকলে অন্যান্য অঞ্চলৰ পৰা উণ আৰু উৎপাদিত বস্ত্ৰ আমদানি কৰি ইয়াত ৰং-বৰণ দি অধিক দামত পুনৰ বিক্ৰী কৰিছিল। লুক্কা অঞ্চলটোত বস্ত্ৰত ৰং কৰাৰ শিল্প (Dyeing) গঢ় লৈ উঠিছিল। ইংলেণ্ডৰ বিভিন্ন অঞ্চলত উণী বস্ত্ৰৰ উৎপাদন সাধিত হৈছিল। দ্বাদশ শতিকাৰ পৰা মানুহৰ সলনি মিলত যন্ত্ৰৰ দ্বাৰা উণী বস্ত্ৰ উৎপাদন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। ক্ৰমাৎ চতুৰ্দশ শতিকাত ইংলেণ্ডত এনে মিলসমূহ (Fulling Mill) যথেষ্ট জনপ্ৰিয় আৰু বিস্তাৰিত হৈ পৰিছিল।

**(খ) কাঁচশিল্পৰ উন্নতি ঃ** মধ্যযুগীয় ইউৰোপত কাঁচশিল্পৰ বিকাশ গিৰ্জাঘৰ নিৰ্মাণ প্ৰক্ৰিয়াৰ লগত বাৰুকৈয়ে জড়িত আছিল। গিৰ্জাসমূহত 'ষ্টেইনড গ্লাছ' নামে এক বিশেষ বহুৰঙী কাঁচ ইয়াৰ খিৰিকীসমূহত ব্যৱহাৰ কৰা হৈছিল। একাদশ শতিকাত উদ্ভৱ হোৱা গথিক নিৰ্মাণশৈলীৰ গিৰ্জাসমূহত এনে কাঁচৰ ব্যাপক ব্যৱহাৰ আৰম্ভ



*মধ্যযুগীয় গিৰ্জাত ব্যৱহৃত ষ্টেইণ্ড গ্লাছ*

হৈছিল। এনে কাঁচৰ মূল বিশেষত্ব আছিল এয়ে যে ইয়াৰ মাজেৰে সূৰ্যৰ ৰশ্মিৰ প্ৰতিসৰণ ঘটি গিৰ্জাৰ ভিতৰত এক ৰঙীন পৰিশোভিত বাতাৱৰণৰ সৃষ্টি হৈছিল। এলুমিনিয়ামযুক্ত এক বিশেষ বালিত বিভিন্ন ধাতৱীয় অক্সাইড সংযুক্ত কৰি এনে ৰঙীন কাঁচ নিৰ্মাণ কৰা হৈছিল। নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ অন্তত কাঁচসমূহ উপযুক্ত মাপত কাটি লৈ কাঠৰ ফ্ৰেমত নিবদ্ধ কৰা হয়। এনে কাঠৰ ফ্ৰেমসমূহত সাধাৰণতে শিল্পীসকলে তেওঁলোকৰ সূক্ষ্ম

কাৰুকাৰ্যৰ পৰিচয় দাঙি ধৰিছিল। ত্ৰয়োদশ শতিকাত এনে 'ষ্টেইনড গ্লাছ'ৰ চাহিদা অধিক বৃদ্ধি পাইছিল আৰু পেৰিছত এনে শিল্পৰ বিভিন্ন কাৰখানা গঢ় লৈ উঠিছিল। সৰ্বসাধাৰণ ব্যৱহাৰৰ বাবেও কাঁচৰ চাহিদা সমগ্ৰ বিশ্বতে বৃদ্ধি পাইছিল আৰু এইক্ষেত্ৰত উন্নত মানৰ ভেনিচ, বেলজিয়াম আৰু বহেমিয়াত উৎপাদিত কাঁচ বিশ্বৰ বিভিন্ন প্ৰান্তলৈ ৰপ্তানি ঘটিছিল।

(গ) **ধাতুশিল্পৰ বিকাশ ঃ** অন্যান্য কাৰিকৰী কৌশলৰ শ্ৰীবৃদ্ধিৰ লগতে আৰু তথা ধাতু নিষ্কাশন প্ৰক্ৰিয়াৰো বিকাশ ঘটাত মধ্যযুগীয় ইউৰোপত ধাতুশিল্পৰো ব্যাপক অগ্ৰগতি সম্ভৱ হৈ উঠিছিল। যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ, ঢাল-তৰোৱাল নিৰ্মাণত বিশেষকৈ লোহা অতি জৰুৰী আছিল। কপাৰ আৰু অন্য কিছু ধাতু বাচন-বৰ্তন নিৰ্মাণত ব্যৱহৃত হৈছিল। মূল্যবান ধাতু যেনে সোণ, ৰূপ আ-অলংকাৰ তথা মুদ্ৰা প্ৰস্তুতকৰণত ব্যৱহৃত হৈছিল। জাৰ্মানী, ফ্ৰান্স আৰু ইংলেণ্ডত ধাতুৰ আকৰিক খনিৰ পৰা আহৰণ কৰিবলৈ ৰাজ কৰ্তৃপক্ষৰ অনুমোদন ল'ব লগা হৈছিল আৰু নিৰ্দিষ্ট এটা অংশ ৰজাঘৰত ইয়াৰ বাবে দিব লগা হৈছিল। দ্বাদশ শতিকাত ধাতু নিষ্কাশনৰ ক্ষেত্ৰত ৰাজকৰ্তৃপক্ষৰপৰা কিছু নীতি-নিয়ম জাৰি কৰা হৈছিল। ত্ৰয়োদশ শতিকাৰ বহেমিয়াৰ ৰজাৰ ইংলেনৰ খনিৰ ওপৰত জাৰি কৰা আইন ইয়াৰ অন্যতম উদাহৰণ। ধাতু নিষ্কাশনত সাধাৰণতে দৈহিক শ্ৰমেই মূল আছিল। খনিত শ্ৰমিকে আকৰ খনন, শোধন কৰাৰ অন্তত পৰৱৰ্তী স্তৰত উত্তপ্ত জুইত ইয়াক নিৰ্দিষ্ট লোকে শাৰীৰিক শ্ৰমৰ বিনিময়ত সংশোধিত কৰি নিজস্ব ৰূপ প্ৰদান কৰিছিল। মেগনেটাইট আৰু হেমেটাইট আকৰৰ পৰা লোহা লাভ কৰাৰ পৰিবৰ্তে আৰ্জেণ্টাইটৰ পৰা ৰূপ উৎপন্ন হৈছিল। আৰ্জেণ্টিফেৰ'চ সীহৰ পৰা ৰাসায়নিক পদ্ধতিৰে বিজাৰিত কৰি শুদ্ধ ৰূপত 'ৰূপ' লাভ কৰা হৈছিল। অৱশ্যে ত্ৰয়োদশ শতিকাৰ পৰা খনিৰ পৰা ৰূপ আহৰণত চকাযুক্ত মেচিনৰ ব্যৱহাৰ আৰম্ভ হৈছিল।

**গীল্ড ব্যৱস্থা (Guild Organisation) ঃ**

দ্বাদশ শতিকাত বাণিজ্যিক আদান-প্ৰদান ব্যৱস্থা যথেষ্ট সম্প্ৰসাৰিত আৰু জটিল হৈ পৰাত মধ্যযুগীয় ইউৰোপত প্ৰায় ১১০০ খ্ৰীঃত সদাগৰ, শিল্পকাৰ শ্ৰেণীটোৱে 'গীল্ড' নামেৰে এক সামূহিক সংগঠনৰ জন্ম দিছিল। এই গীল্ডসমূহে সদাগৰ আৰু শিল্পকাৰ শ্ৰেণীটোক বাণিজ্যৰ উমৈহতীয়া সুৰক্ষা তথা লাভালাভৰ বাবে এক সাংগঠনিক ভিত্তি প্ৰদান কৰিছিল। গীল্ডসমূহ দুই শ্ৰেণীৰ আছিল— (১) সদাগৰসকলৰ গীল্ড, (২) শিল্পকাৰসলকৰ গীল্ড। গীল্ডসমূহত ইয়াৰ সদস্যসকলৰ সমান অধিকাৰ আছিল। সদাগৰসকলে গীল্ডৰ জৰিয়তে বাণিজ্যিক কাৰ্যাৱলী উমৈহতীয়াভাৱে নিৰ্ধাৰণ তথা নিয়ন্ত্ৰণ কৰিছিল। সেইদৰে শিল্পকাৰসকলেও তেওঁলোকৰ গীল্ডৰ যোগেদি উৎপাদিত



সামগ্ৰীৰ দামৰ ক্ষেত্ৰত সাৰ্বজনীনতা আৰোপ কৰা, সকলোৰে বাবে ব্যৱসায়িক সময়সীমা সমানভাৱে নিৰ্ধাৰণ কৰি দিয়া, শ্ৰমিকৰ মজুৰি নিৰ্ণয় কৰা ইত্যাদি কাৰ্যসমূহ সম্পাদিত কৰিছিল। প্ৰত্যেক শিল্পৰে শিল্পকাৰসকলৰ নিজস্ব সুকীয়া গীল্ড আছিল আৰু তেওঁলোকে এক নিৰ্দিষ্ট অঞ্চলত একেলগে একোটা শিল্পজাত দ্ৰব্য উৎপাদন কৰি বিক্ৰী কৰিছিল। অৱশ্যে প্ৰত্যেকৰে কাৰখানা আৰু বিপণী প্ৰতিষ্ঠান নিজস্ব তথা সুকীয়া আছিল। গীল্ডৰ অন্তৰ্ভুক্ত প্ৰত্যেক শিল্পকাৰ সমান সময়ৰ বাবে কৰ্মসূচীত জড়িত আছিল আৰু শ্ৰমিককো প্ৰত্যেকেই সমান মজুৰি প্ৰদান কৰিছিল। এনেধৰণৰ শিল্পকাৰৰ ভিতৰত প্ৰধান আছিল—বস্ত্ৰ উৎপাদনকাৰীসকল, ৰং লেপনকাৰীসকল, কাঁচ উৎপাদনকাৰী, বিভিন্ন ধাতু উৎপাদনকাৰী তথা বিশেষভাৱে সোণাৰি, কমাৰ, ৰাজমিস্ত্ৰী, চৰ্মকাৰসকল ইত্যাদি।

একোখন চহৰত বেপাৰ-বাণিজ্য এক বা একাধিক গীল্ডে নিয়ন্ত্ৰণ কৰিছিল। গীল্ডৰ সদস্যভুক্ত সদাগৰ বা শিল্পকাৰজনেহে এনে অঞ্চলত নিজ বেপাৰ-বাণিজ্য চলাই নিব পাৰিছিল। বহিৰাগতই এনে এলেকাত সামগ্ৰী বিক্ৰী কৰিবলৈ হ'লে গীল্ডৰ অনুমোদন ল'ব লগা হৈছিল। কোনো বিক্ৰেতাই অসৎ উপায়েৰে মুনাফা অৰ্জন কৰিলে তেওঁক গীল্ডৰ পৰা বহিষ্কাৰ কৰাৰো নিয়ম আছিল। গীল্ডৰ সদস্যসকলৰ মাজত পাৰস্পৰিক এক উমৈহতীয়া সম্প্ৰীতিৰ এনাজৰী বিৰাজমান আছিল। কিছু সামাজিক তথা সাংস্কৃতিক অনুষ্ঠানো সময়ে সময়ে গীল্ডসমূহত অনুষ্ঠিত হৈছিল। সদাগৰসকল আৰু শিল্পকাৰসকলৰ মাজতো এক সুস্থ সম্পৰ্ক আছিল। উৎপাদনৰ বাবে প্ৰয়োজনীয় কেঁচামাল সদাগৰ তথা বণিকসকলে যোগান ধৰিছিল আৰু উৎপাদিত সামগ্ৰী শিল্পকাৰসকলৰ পৰা সংগ্ৰহ কৰি বণিকসকলে ইয়াক পৰৱৰ্তী পৰ্যায়ত নিৰ্দিষ্ট দৰত বিক্ৰী কৰিছিল। অৱশ্যে চতুৰ্দশ শতিকাৰ পৰা বণিক আৰু শিল্পকাৰসকলে গীল্ডৰ নিয়ন্ত্ৰণত ক্ৰমান্বয়ে ক্ষুণ্ণ হৈ স্বকীয়ভাৱে অধিক মুনাফা লাভৰ প্ৰতিযোগিতাত নামি পৰিছিল।

## মধ্যযুগীয় ইউৰোপত নগৰৰ বিকাশ
## (Growth of Urban Centres)

দশম শতিকাৰ পৰা মধ্যযুগীয় ইউৰোপত অভূতপূৰ্ব হাৰত জনসংখ্যাৰ বিস্ফোৰণ ঘটি যি নতুন অৰ্থনৈতিক বাতাবৰণৰ সৃষ্টি কৰিছিল ইয়াৰে এক প্ৰধান উদাহৰণ আছিল নগৰ-চহৰৰ উদ্ভৱ আৰু বিকাশ। মধ্যযুগীয় সদাগৰসকলে প্ৰথম অৱস্থাত নিতৌ নতুন নতুন ঠাই পৰিভ্ৰমণ কৰি ঘূৰি ফুৰিছিল। ঘোঁৰাৰে টনা মালবাহী গাড়ীত কিছু

অস্ত্র-শস্ত্ৰৰে প্ৰতিৰক্ষাৰ বাবে তৈয়াৰ হৈ তেওঁলোকে এনে অঞ্চলসমূহত বাণিজ্যিক কাৰ্যাৱলী সম্পন্ন কৰি পুনৰ নতুন অন্য অঞ্চলৰ দিশে ৰাওনা হৈছিল। অৱশ্যে ক্ৰমান্বয়ে তেওঁলোকে এনে কষ্টসাধ্য পৰিক্ৰমাৰ বিপৰীতে নিৰ্দিষ্ট এক এলেকাত স্থায়ীভাৱে বসতি কৰি বেপাৰ-বাণিজ্য চলাবলৈ আগ্ৰহী হৈ পৰিছিল। তেওঁলোকে সাধাৰণতে সামুদ্ৰিক বাণিজ্য পথ তথা এই পথ সংযোগী অন্যান্য সহযোগী পথৰ কাষত বসতি স্থাপনত অগ্ৰাধিকাৰ দিছিল। তেওঁলোকে সাধাৰণতে খ্ৰীষ্টান মঠ বা আশ্ৰমৰ সংলগ্ন হৈ স্থাপিত হ'ব বিচাৰিছিল যাৰ মূল কাৰণ আছিল যে এনে অঞ্চলসমূহ হিংসা-লুটপাট আদিৰ পৰা মুক্ত আছিল। মধ্যযুগীয় ইউৰোপত সদাগৰসকলৰ এনে বসতি স্থাপন প্ৰক্ৰিয়াৰ ফলশ্ৰুতিতেই নগৰৰ উত্থান তথা বিকাশ আৰম্ভ হৈছিল। জাৰ্মানসকলে এনে আশ্ৰমক 'বাৰ্গ' (Burg) আখ্যা দিছিল আৰু এনে আশ্ৰমৰ সমীপতে সৃষ্টি হোৱা বাবে এনে বণিকশ্ৰেণীৰ বসতিস্থলকো প্ৰাৰম্ভিক সময়ছোৱাত বাৰ্গ আখ্যা দিয়া হৈছিল।

এনেদৰে নতুনকৈ স্থাপিত নগৰসমূহে পাৰ্শ্ববৰ্তী এলেকাৰ লোকসকলকো আকৰ্ষিত কৰিছিল। হাট বা বজাৰ এনে নগৰৰ প্ৰাণকেন্দ্ৰ হৈ পৰিছিল। কিছু সম্ভ্ৰান্ত শ্ৰেণী আৰু বিশেষকৈ ৰোজগাৰৰ সন্ধানত কাৰখানা তথা শিল্পকাৰসকলৰ দ্বাৰা বিভিন্ন শিল্প নগৰসমূহত প্ৰাণ পাই উঠিছিল। ক্ৰমান্বয়ে এই নগৰসমূহ হাট-বজাৰৰ লগতে আবাসিক কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিছিল। এনে নগৰসমূহত প্ৰত্যেকৰে নিজা আইন-কানুন তথা বিচাৰালয় সৃষ্টি কৰা হৈছিল। মধ্যযুগৰ কেইখনমান উল্লেখযোগ্য নগৰ আছিল— ভেনিচ, পেৰিছ, ফ্লৰেন্স, মিলান, লণ্ডন, ফ্লেন্দাৰ্চ ইত্যাদি। উল্লেখ্য যে এনে নগৰসমূহৰ বিকাশত কাষৰীয়া গ্ৰাম্য এলেকাত উৎপন্ন খাদ্যশস্যৰ সৰবৰাহে মুখ্য ভূমিকা পালন কৰিছিল।

**চতুৰ্দশ শতিকাৰ ইউৰোপৰ বিভিন্ন নগৰৰ জনসংখ্যা ঃ**

| নগৰ | জনসংখ্যা (প্ৰায়) |
|---|---|
| ভেনিচ | ১,০০,০০০ |
| জেনোৱা | ৮০,০০০ |
| পেৰিছ | ২,০০,০০০ |
| ফ্লৰেন্স | ১,০০,০০০ |
| মিলান | ১,০০,০০০ |
| লণ্ডন | ৯০,০০০ |



ভেনিচ আছিল ইটালিৰ এক প্ৰধান বন্দৰ যি এড্ৰিয়াটিক সাগৰৰ সমীপত গঢ় লৈ উঠিছিল। দ্বাদশ শতিকাত ভেনিচ সম্পূৰ্ণৰূপে এক বণিক সদাগৰেৰে পৰিপূৰ্ণ বাণিজ্যিক বন্দৰত পৰিণত হৈছিল। ইয়াৰ সদাগৰসকলে গম, বাৰ্লি, সুৰা, দাস, বস্ত্ৰ, মছলা ইত্যাদিৰ ব্যৱসায় কৰিছিল তথা অন্যান্য অংশলৈও ইয়াক প্ৰেৰণ কৰিছিল। ভেনিচৰ সদাগৰসকল লিখা-পঢ়াৰ লগতে বাণিজ্যৰ নথীভুক্তকৰণ প্ৰক্ৰিয়াটোত জড়িত হৈ অৱশেষত বেংক প্ৰতিষ্ঠানৰ বিকাশতো অৰিহণা যোগাইছিল। ইটালিৰ অন্যান্য অঞ্চলসমূহে উৎপাদিত বস্ত্ৰ বাণিজ্যৰ বাবে ভেনিচলৈ প্ৰেৰণ কৰিছিল। ক্ৰমান্বয়ে ভেনিচৰ লগতে ইটালিৰ অন্যান্য নগৰসমূহো বাণিজ্যক্ষেত্ৰত প্ৰভাৱশালী হৈ পৰিছিল। ফ্লেন্দাৰ্চ আছিল ইউৰোপৰ আন এক প্ৰধান চহৰ। বেলজিয়ামৰ এই চহৰখনত ফ্লেমিচ লোকসকলে ভেড়াৰ উণৰ পৰা উণী বস্ত্ৰ উৎপাদনত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছিল। ফ্লেন্দাৰ্চৰ এনে উচ্চমান বিশিষ্ট উণীবস্ত্ৰ সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ পৰিছিল। ফ্লেন্দাৰ্চ এলেকাটো ভৌগোলিকভাৱে যথেষ্ট গুৰুত্বপূৰ্ণ আছিল কিয়নো স্কেণ্ডিনেভিয়া আৰু ভূমধ্যসাগৰীয় বাণিজ্যৰ পথত ই জিৰণীস্থল স্বৰূপ আছিল। কনষ্টাণ্টিনোপল আৰু উত্তৰ সাগৰৰ বাণিজ্যিক পথকো ই সংযোজিত কৰিছিল। চতুৰ্দশ শতিকাত ইংলেণ্ডৰ সৈতে ফ্লেন্দাৰ্চে বাণিজ্যিক বুজাপৰাত উপনীত হৈছিল যি উভয় দেশৰে উণী বস্ত্ৰ উদ্যোগক লাভান্বিত কৰিছিল।

ঐতিহাসিক হেনৰি পীৰেণৰ মতে, মধ্যযুগীয় ইউৰোপত পুনৰুজ্জীৱিত হোৱা বৃহৎ বেপাৰ-বাণিজ্যৰ প্ৰক্ৰিয়াটোৱেই আছিল নগৰৰ বিকাশৰ মূল কাৰক। ১৪০০ খ্ৰীঃত এনে নগৰসমূহৰ মূল বাসিন্দা সদাগৰ শিল্পকাৰসকল ক্ৰমান্বয়ে পৰম্পৰাগত সামন্ত ভূস্বামীসকলতকৈ বেছি প্ৰভাৱশালী হৈ পৰাৰ এক প্ৰক্ৰিয়া আৰম্ভ হৈছিল যি মধ্যযুগীয় ইউৰোপৰ সামন্তবাদৰ পতনত বিশেষভাৱে অৰিহণা আগবঢ়াইছিল। নগৰৰ বহু লোক সম্ভ্ৰান্ত তথা সামন্ততকৈ অধিক চহকী হৈ পৰিছিল আৰু তেওঁলোকে আনকি ৰজা, সম্ভ্ৰান্তকো টকা ধাৰলৈ দিবলৈ আৰম্ভ কৰিছিল। এনে নগৰৰ বাসিন্দাসকলে নিজ নিজ সন্তানক আইন, ধৰ্মশাস্ত্ৰ, চিকিৎসাবিজ্ঞান আদিৰ শিক্ষাৰ হেতু বিশ্ববিদ্যালয়লৈ প্ৰেৰণ কৰিছিল। তেওঁলোকে সাহিত্য তথা চিত্ৰকলাৰ বিকাশতো যথেষ্ট পৃষ্ঠপোষকতা আগবঢ়াইছিল। ভাষাৰ ক্ষেত্ৰত জাৰ্মানি ভাষা, ফৰাচী আৰু ইংৰাজীয়ে অগ্ৰাধিকাৰ পাইছিল। সেই সময়ছোৱাতে ৰচিত ডাণ্টেৰ 'ডিভাইন কমেডি' আৰু জেফ্ৰে চচাৰৰ 'কেণ্টাবেৰী টেলচ' সমগ্ৰ বিশ্বজুৰি আজিও সমাদৃত।


## মধ্যযুগীয় ইউৰোপৰ প্ৰযুক্তিগত বিকাশ (Technological Development)

মধ্যযুগীয় ইউৰোপৰ কৃষিৰ লগতে শিল্প-বাণিজ্যৰ বিকাশৰ গুৰিতে আছিল সেই সময়ছোৱাত সংঘটিত প্ৰযুক্তিগত বিকাশ। যদিও কিছুসংখ্যক প্ৰযুক্তিগত ধাৰণা চীন আৰু ইছলামীয় ভূখণ্ডৰ পৰা লোৱা হৈছিল, তথাপি মধ্যযুগীয় ইউৰোপীয় কাৰিকৰী তথা প্ৰযুক্তিগত উদ্ভাৱনসমূহ অধিক প্ৰগতিশীল আৰু ফলপ্ৰসূ আছিল যি পৰৱৰ্তী সময়ৰ ইউৰোপীয় বৈজ্ঞানিক বিপ্লৱৰ বাবে ভেটি প্ৰস্তুত কৰিছিল।

কৃষিক্ষেত্ৰত প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ ক্ষেত্ৰত আটাইতকৈ উল্লেখযোগ্য উদাহৰণ আছিল চকাযুক্ত ভাৰী নাঙলৰ প্ৰচলন, কৃষিত ঘোঁৰাৰ ব্যৱহাৰ, ঘোঁৰাৰ একপ্ৰকাৰ খৰম আৰু গলবন্ধাৰ উদ্ভাৱন, বিভিন্ন সা-সঁজুলি যেনে উন্নত লোহাৰ কোৰ, খন্তি আদিৰ প্ৰচলন। চকাযুক্ত ভাৰী নাঙলক 'কাৰুকা' (Carruca) বোলা হৈছিল যাক প্ৰায় ৮টাকৈকে বলধে টানিছিল। কঠিন লোহাৰ ফালেৰে তথা ব্যাপক পশুবলৰ জৰিয়তে উত্তৰ ইউৰোপীয় আলতীয়া মাটি চহাবলৈ ই বিশেষভাৱে ফলপ্ৰসূ হিচাপে বিবেচিত হৈছিল। দীঘলকৈ ব্যাপক হাৰত পথাৰসমূহত হাল বোৱা হৈছিল। পথাৰৰ কৰ্ষিত কৃষিভূমিত আগতকৈ ফলপ্ৰসূভাৱে পানী জমা হৈছিল আৰু সামগ্ৰিকভাৱে বৰ্ধিত উৎপাদনৰ বাবে মাটিখিনি প্ৰয়োজনীয় ৰূপত তৈয়াৰ হৈ উঠিছিল। পূৰ্বৰ দুই-তিনিবাৰকৈ হাল বোৱাৰ প্ৰক্ৰিয়াও কৃষিকাৰ্যত ভাৰী নাঙলৰ ব্যৱহাৰৰ পৰিসমাপ্তি ঘটাইছিল। উল্লেখ্য যে ভাৰী নাঙল আৰু ইয়াৰ ফলপ্ৰসূতাৰ বিষয়ে ইতিমধ্যে পূৰ্বৰ পৃষ্ঠাত আলোকপাত কৰা হৈছে।

কৃষিক্ষেত্ৰত উৎপাদন বৃদ্ধিৰ আন এক প্ৰধান উদ্ভাৱন আছিল হালবোৱা কাৰ্যত ঘোঁৰাৰ ব্যৱহাৰ। ঘোঁৰা পৰম্পৰাগতভাৱে ব্যৱহৃত বলধতকৈ বেছি কাৰ্যক্ষম তথা ই বলধতকৈ বেছি সময় অধিক গতিৰে হাল বাব পাৰে। ঘোঁৰাক কৃষিকাৰ্যত ব্যৱহাৰ কৰাত দুটা প্ৰধান প্ৰযুক্তিগত উদ্ভাৱনে সহায় কৰিছিল। ই আছিল— ঘোঁৰা খৰম (Horse Shoe) আৰু ঘোঁৰাৰ গলবান্ধ (Horse Collar)। প্ৰায় ৯০০ খ্ৰীঃত খৰম (Horse Shoe)ৰ উদ্ভাৱনে ঘোঁৰাৰ খুৰাক খহতা পৃষ্ঠভাগৰ পৰা ৰক্ষা কৰাৰ লগতে ইয়াৰ কাৰ্যদক্ষতা অধিক বৃদ্ধি কৰিছিল। 'U' আকৃতিৰ কপাৰ বা লোহাৰ প্লেট ঘোঁৰাত খুৰাত পিন্ধাই কৃষিকাৰ্যৰ লগতে অন্যান্য ক্ষেত্ৰতো ঘোঁৰাৰ কাৰ্যদক্ষতা বৃদ্ধি কৰা এই ব্যৱস্থা সমগ্ৰ মধ্যযুগীয় ইউৰোপৰে এক প্ৰধান ফলপ্ৰসূ উদ্ভাৱন আছিল। ঘোঁৰাৰ গলবান্ধ (Horse Collar) আছিল সমসাময়িক ইউৰোপীয় কাৰিকৰী উদ্ভাৱনৰ আন






মধ্যযুগীয় 'Horse Collar'

এক উদাহৰণ। বলধৰ সলনি ঘোঁৰাক কৃষিকাৰ্যত ব্যৱহাৰ কৰাৰ এক প্ৰধান প্ৰত্যাহ্বান আছিল এয়ে যে হাল বোৱা সময়ত ঘোঁৰাই প্ৰায়ে হালৰ ভাৰ সহিব নোৱাৰি ডিঙিত শ্বাস-প্ৰশ্বাসৰ সমস্যাত ভুগিব লগা হৈছিল। কিন্তু প্ৰায় ১০৫০ খ্ৰীঃত ঘোঁৰাৰ গলবান্ধ (Horse Collar) উদ্ভাৱন হোৱাত ডিঙিত আগৰ দৰে হেঁচা সৃষ্টি হোৱা সমস্যা দূৰ হয় আৰু ঘোঁৰাৰ কাৰ্যদক্ষতা বিশেষকৈ কৃষিক্ষেত্ৰত অভূতপূৰ্বৰূপে বৃদ্ধি পায়।

কৃষি সঁজুলিৰ ক্ষেত্ৰতো লোহা ব্যাপক ৰূপত ব্যৱহৃত হ'বলৈ লৈছিল। লোহাৰে নিৰ্মিত কোৰ, খন্তি, বেলচা (Shovel)ৰ সহায়ত কৃষকে অধিক ফলপ্ৰসূতাৰে কৃষিকৰ্ম কৰিব পৰা হৈছিল। শস্য চপোৱাৰ সময়তো লোহাৰ কাঁচিৰে অতি সহজতে বৃহৎ এলেকাৰ খেতিপথাৰ কম সময়ৰ ভিতৰতে মোকলাব পৰা হৈছিল। অন্য সমাজৰ দৰে মধ্যযুগীয় ইউৰোপীয় সমাজতো মহিলাসকলে শস্য চপোৱাত আগভাগ লোৱা দেখা গৈছিল। 'Wheelbarrow' নামৰ এক বিশেষ ঠেলাগাড়ীৰে শস্য সংগ্ৰহ কৰা হৈছিল। ঘোঁৰাৰ সহায়ত পথাৰত মৈ দিয়া প্ৰথাৰো প্ৰচলন আছিল। দক্ষিণ জাৰ্মানীত ১০৫০ খ্ৰীঃত এনেদৰে ঘোঁৰাৰ দ্বাৰা মৈ দিয়াৰ প্ৰথম উদাহৰণ পোৱা যায়। কৃষিক্ষেত্ৰৰ বৰ্ধিত উৎপাদনৰ আন এটা প্ৰধান কাৰক আছিল দুখন পথাৰৰপৰা ক্ৰমে তিনিখন পথাৰত কৰা কৃষিকাৰ্য। ইতিমধ্যে এই বিষয়ে পূৰ্বৰ আলোচনাত উল্লেখ কৰা হৈছে। যি কি নহওক, এনে ব্যৱস্থাৰ যোগেদি কৃষি উৎপাদন পূৰ্বতকৈ দুগুণলৈ বৃদ্ধি হোৱাৰ লগতে যথেষ্ট অব্যৱহৃত মাটিও মুকলি কৰি ব্যৱহাৰযোগ্য কৰি তোলা হৈছিল। ইয়াৰ লগতে ১০৫০ খ্ৰীঃৰ পৰা ইউৰোপত 'ৱাটাৰমিল'ৰ উদ্ভাৱন হোৱাত যন্ত্ৰশক্তিৰ সহায়ত খাদ্যশস্যৰ পৰা আটা, ময়দা প্ৰস্তুত কৰা হৈছিল। সাধাৰণতে খৰস্ৰোতা নদী-জুৰিৰ সোঁত বা কৃত্ৰিমভাৱে পানীৰ সোঁত সৃষ্টি কৰি ভিতৰত যন্ত্ৰৰ সৈতে সংযুক্ত এক চকৰী ঘূৰোৱা হৈছিল আৰু জলশক্তিৰ সহায়ত এনেদৰে যন্ত্ৰচালিত হৈ ই দ্ৰব্যশস্য খুন্দাৰ কাম কৰিছিল। ১১৭০ খ্ৰীঃত হলেও আৰু অন্যান্য অঞ্চলত বায়ুচকৰী (Wind Mill)ৰো উদ্ভাৱন ঘটিছিল।

শিল্পৰ ক্ষেত্ৰত মধ্যযুগৰ আটাইতকৈ লেখত ল'বলগা উদ্যোগটো আছিল বস্ত্ৰশিল্পৰ উদ্যোগ। কৃষিত ব্যৱহৃত ৱাটাৰমিল বস্ত্ৰ উদ্যোগত বিশেষকৈ উণ পৰিশুদ্ধ কৰি নিৰ্দিষ্ট ৰূপত বস্ত্ৰৰ বাবে উপযোগী কৰি তুলিবলৈ ব্যাপক ৰূপত ব্যৱহাৰ কৰা হৈছিল। একাদশ শতিকাৰ ইউৰোপত 'ষ্টাম্প মিল' আৰু 'ফুলিং মিল' বস্ত্ৰ উদ্যোগত ব্যৱহৃত হ'বলৈ লৈছিল আৰু ক্ৰমান্বয়ে দ্বাদশ শতিকালৈ ফ্ৰান্স, ইংলেণ্ড, জাৰ্মানী পৰ্যন্ত ই ব্যাপক ৰূপত জনপ্ৰিয় হৈ পৰিছিল। বস্ত্ৰ উদ্যোগত ক্ষেত্ৰত আন এক অভূতপূৰ্ব প্ৰযুক্তিগত উদ্ভাৱন আছিল স্পিনিং হুইল (Spinning Wheel)। ত্ৰয়োদশ শতিকাৰ শেষাৰ্ধত যঁতৰ সদৃশ এই আহিলাবিধ সমগ্ৰ ইউৰোপতে জনপ্ৰিয় হৈ পৰাত অতি সহজতে সূতা কাটিব পৰা সুবিধা সকলো সাধাৰণ শ্ৰেণীৰ হাতত আহি পৰিছিল। উল্লেখযোগ্য যে বহু ঐতিহাসিকে এই স্পিনিং হুইল সমগ্ৰ বিশ্বৰ ভিতৰতে ৫০০ খ্ৰীঃ—১০০০ খ্ৰীঃৰ সময়ছোৱাৰ ভাৰতবৰ্ষত প্ৰথমবাৰৰ বাবে উদ্ভৱ হৈছিল বুলি ক'ব খোজে।


মধ্যযুগীয় স্পিনিং হুইল

বস্ত্ৰশিল্পৰ লগতে মধ্যযুগীয় ইউৰোপৰ আন এটা প্ৰধান উদ্যোগ আছিল ধাতু শিল্প (Metallergy)। লোহা বিশেষভৱে সমগ্ৰ সময়ছোৱাত ইউৰোপৰ বিভিন্ন প্ৰান্তত ব্যাপক ৰূপত ব্যৱহৃত হ'বলৈ লৈছিল। ফ্ৰেংকসকলৰ সময়ছোৱা (খ্ৰীঃ অষ্টম শতিকা)ৰ পৰাই লোহাৰ ব্যাপক ব্যৱহাৰ ইউৰোপত আৰম্ভ হৈছিল যদিও 'ৱাটাৰমিল'ৰ উদ্ভাৱনৰ পাছৰ পৰা লোহাক বিভিন্ন ৰূপত আকাৰ দিয়া যথেষ্ট সহজসাধ্য হৈ পৰিছিল। কৃষিক্ষেত্ৰত এনে লোহাৰ প্ৰযুক্তি ব্যৱহাৰে উৎপাদনৰ প্ৰক্ৰিয়া দ্ৰুততৰ কৰি তুলিছিল যাৰ বিষয়ে ইতিমধ্যে আলোচনা কৰা হৈছে। কৃষিৰ লগতে নাইটসকলৰ বাবে নিয়মিতভাৱে যুদ্ধৰ ঢাল-তৰোৱাল তথা অন্য সা-সামগ্ৰী নিৰ্মাণত লোহা বাৰুকৈয়ে ব্যৱহৃত হৈছিল যি সামগ্ৰিকভাৱে লৌহ ধাতু শিল্পৰ উদ্যোগটোৰ শ্ৰীবৃদ্ধিত বিশেষভাৱে অৰিহণা যোগাইছিল।

যন্ত্ৰপাতিৰ উদ্ভাৱনৰ বেলিকাও মধ্যযুগীয় ইউৰোপ পাছ পৰি থকা নাছিল। এইক্ষেত্ৰত আলোচিত সময়ছোৱাৰ দুটা মুখ্য উদ্ভাৱন আছিল— ক্ৰেংক নামৰ এক লীভাৰসদৃশ যন্ত্ৰ আৰু যন্ত্ৰচালিত ঘড়ি। ক্ৰেংক যন্ত্ৰই সংলগ্ন ধুৰাসদৃশ যন্ত্ৰক বিৰামহীনভাৱে চালিত হ'বলৈ সহায় কৰিছিল। ৮৩০ খ্ৰীঃত চীনত প্ৰচলিত হোৱা এই ক্ৰেংক দশম শতিকাত সমগ্ৰ ইউৰোপতে জনপ্ৰিয় হৈ পৰিছিল। যন্ত্ৰচালিত ঘড়ি নিৰ্মাণৰ প্ৰক্ৰিয়া ত্ৰয়োদশ শতিকাৰ শেষাৰ্ধত আৰম্ভ হৈছিল আৰু চতুৰ্দশ শতিকাত ই যথেষ্ট



জনপ্ৰিয় হৈ পৰিছিল। প্ৰণিধানযোগ্য যে, যন্ত্ৰচালিত ঘড়িৰ উদ্ভাৱন সমগ্ৰ মানৱ সভ্যতাৰ প্ৰযুক্তিগত ইতিহাসৰে এক মাইলৰ খুঁটিস্বৰূপ আছিল। অৱশ্যে চীনত ইয়াৰ বহু পূৰ্বেই ঘড়ি নিৰ্মিত হৈছিল যদিও ই সম্পূৰ্ণ যন্ত্ৰচালিত নাছিল।


ৱাটাৰ মিল

চতুৰ্দশ-পঞ্চদশ শতিকাৰ ইউৰোপৰ আন এক উল্লেখযোগ্য প্ৰযুক্তিগত বিকাশ আছিল ছপা যন্ত্ৰৰ আৱিষ্কাৰ। ১৪৪০ খ্ৰীঃত জাৰ্মানীৰ জোহান গুটেনবাৰ্গে ছপা যন্ত্ৰৰ উদ্ভাৱন কৰি ছপা সাহিত্যৰ ক্ষেত্ৰখনত বিপ্লৱৰ সূচনা কৰিছিল। অৱশ্যে চীনত খ্ৰীঃ প্ৰথম সহস্ৰাব্দৰ সময়ছোৱাতে ছপা যন্ত্ৰৰ উদ্ভাৱন ঘটিছিল। যি কি নহওক, গুটেনবাৰ্গে ছপা যন্ত্ৰৰ দ্বাৰা ১৪৫২ খ্ৰীঃত বাইবেল ছপা কৰি উলিয়াইছিল যাৰ পৃষ্ঠাৰ সংখ্যা আছিল ১৩০০টা। প্ৰায় ২০০ খ্ৰীঃ পূৰ্বতেই চীনত কাগজ উদ্ভাৱন হৈছিল যদিও ইউৰোপত প্ৰায় একাদশ-দ্বাদশ শতিকাত কাগজ উৎপাদন আৰম্ভ হৈছিল। কাগজ উৎপাদন প্ৰক্ৰিয়াত ৱাটাৰ মিলসমূহৰ যান্ত্ৰিক শক্তি ব্যাপক ৰূপত ব্যৱহৃত হৈছিল। এনে ধৰণৰ বিকাশে ছপা শিল্পক মধ্যযুগীয় ইউৰোপত বিশেষকৈ পঞ্চদশ শতিকাৰ শেষাৰ্ধত এক বৃহৎ উদ্যোগত পৰিণত কৰিছিল।


মধ্যযুগীয় 'Horse Stirrup'

আলোচিত সময়ছোৱাত ইউৰোপত সামৰিক প্ৰযুক্তি-বিদ্যাৰো বিকাশ ঘটিছিল। ঘোঁৰাত উঠি বাগৰি নাযাবলৈ দুইফালে ভৰি সুমুৱাব পৰা 'Horse Stirrup'ৰ সেই সময়ৰ ইউৰোপত অষ্টম শতিকাত কেৰ'লিংগানসকলৰ শাসনৰ সময়ছোৱাত উদ্ভাৱন ঘটিছিল। এনে সুবিধাৰ পৰিপ্ৰেক্ষিতত যুদ্ধত অধিক কাৰ্যদক্ষতাৰে অস্ত্ৰচালনা কৰা সহজ হৈ পৰিছিল। নাইটসকলৰ বাবে এই উদ্ভাৱন

যথেষ্ট ফলপ্ৰসূ হিচাপে বিবেচিত হৈছিল। খাৰ বাৰুদ (Gunpowder) ইতিমধ্যে চীনত নৱম শতিকাত উদ্ভাৱন কৰা হৈছিল আৰু খ্ৰীঃ ত্ৰয়োদশ শতিকাত ই ইউৰোপত জনপ্ৰিয় হৈ পৰে। ১২৬৭ খ্ৰীঃত ৰচিত ৰজাৰ বেকনৰ 'Opus Majus'ত খাৰ বাৰুদৰ উল্লেখ পোৱা যায়। টোপ (Cannon) মধ্যযুগীয় ইউৰোপত প্ৰায় চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্দ্ধত ব্যৱহাৰ হ'বলৈ লৈছিল। খাৰ বাৰুদ নিৰ্মাণৰ বাবে সমসাময়িক ইউৰোপত ৰাসায়ন চৰ্চাৰ গুৰুত্ব যথেষ্ট বৃদ্ধি হৈছিল। ১৫০০ খ্ৰীঃৰ ভিতৰত ক্ৰমাৎ ইউৰোপ বিশ্বৰ ভিতৰতে অগ্ৰণী সামৰিক শক্তিলৈ পৰিণত হৈছিল। উল্লেখ্য যে প্ৰথম ধাতুৰ লৌহ টোপ ফ্ৰান্সত এশ বছৰীয়া যুদ্ধ (১৩৩৭—১৪৫৩ খ্ৰীঃ)ৰ সময়ত ব্যৱহাৰ হৈছিল আৰু এই টোপবিধক 'Pot-de-fer' হিচাপে নামাংকৃত কৰা হৈছিল।

নৌ-জাহাজৰ উদ্যোগৰ ক্ষেত্ৰখনতো মধ্যযুগীয় ইউৰোপত যথেষ্ট উন্নতি সাধন হৈছিল। দীৰ্ঘ দূৰত্বৰ সামুদ্ৰিক যাত্ৰাৰ বাবে কিছু প্ৰযুক্তিগত উদ্ভাৱন সেই সময়ছোৱাত জৰুৰী হৈ পৰিছিল। এনে সময়ত নৌকা কৰ্ণ (Rudder), ত্ৰিকোণীয় পাল (Triangular Sail) তথা ৰিগিং প্ৰযুক্তিৰ বিকাশে মধ্যযুগীয় ইউৰোপীয় সামুদ্ৰিক বাণিজ্যলৈ অভূতপূৰ্ব সঁহাৰি আগবঢ়ালে। ৰিগিং প্ৰযুক্তি আছিল পালৰ সহায়ত বতাহৰ জাহাজৰ গতি প্ৰদানত সহায় কৰাৰ প্ৰক্ৰিয়া আৰু এই প্ৰক্ৰিয়াত তিনিকোণীয়া 'লেটিন পাল'ৰ ব্যৱহাৰ হোৱাত ক্ৰমান্বয়ে বৃহৎ আকাৰত জাহাজ নিৰ্মাণ সম্ভৱ হৈ পৰিছিল য'ত পূৰ্বতকৈ বেছি সংখ্যক মালবস্তুৰ সৰবৰাহ সুচল হৈ পৰিছিল। পঞ্চদশ শতিকাৰ শেষৰফালে ভেনিচত ব্যাপক হাৰত যুদ্ধ আৰু বাণিজ্যিক জাহাজ নিৰ্মাণ আৰু মেৰামতি কাৰখানা গঢ় লৈ উঠিছিল। প্ৰায় ১৩০০ খ্ৰীঃত সামুদ্ৰিক যাত্ৰাত কম্পাছৰ ব্যৱহাৰ আৰম্ভ হ'ল আৰু ই দূৰণিবটীয়া আৰু দুৰ্গম অঞ্চলসমূহলৈ সামুদ্ৰিক যাত্ৰা সম্ভৱ কৰি তুলিলে। ১৪৯২ চনত এইদৰে কলম্বাছে আমেৰিকা আৱিষ্কাৰ কৰিলে আৰু ১৪৯৮ চনত পৰ্টুগিজ নাবিক ভাস্কো-ডা-গামা ভাৰতবৰ্ষৰ কালিকট বন্দৰত উপস্থিত হ'ল।

## ইউৰোপত সামন্তবাদৰ অৱক্ষয়
## (Decay of Feudalism)

মধ্যযুগীয় ইউৰোপৰ চতুৰ্দশ শতিকাত আমি সামন্তবাদৰ অৱক্ষয়ৰ এক ধাৰা দেখিবলৈ পাওঁ। কৃষি উৎপাদনৰ হাৰ এই সময়ছোৱাত যথেষ্ট সংকুচিত হৈ পৰিছিল। ১৩১৫ খ্ৰীঃত হোৱা ব্যাপক দুৰ্ভিক্ষই কৃষি ফচলৰ মূল্য বৃদ্ধি কৰিলে আৰু সাধাৰণ শ্ৰেণীৰ অৱস্থা শোচনীয় হৈ পৰিল। বহু লোকে অনাহাৰে মৃত্যুক সাৱটি ল'লে ইয়াতকৈয়ো ভয়াবহ পৰিস্থিতি তেতিয়া সৃষ্টি হ'ল যেতিয়া সমগ্ৰ ইউৰোপতে ১৩৪৭-



১৩৫১ খ্ৰীঃত প্লেগ মহামাৰী (Black Death)য়ে দেখা দিলে। এই মহামাৰীত যথেষ্ট সংখ্যক লোকে মৃত্যুবৰণ কৰিলে আৰু ইউৰোপৰ জনসংখ্যা ব্যাপক হাৰত সংকুচিত হৈ পৰিল। জনসংখ্যাৰ এই অধোগামী পৰিবৰ্তনে সমসাময়িক সামন্ত কৃষকৰ সম্পৰ্কত কিছু নতুন মাত্ৰা প্ৰদান কৰিলে। পৰিবৰ্তিত পৰিস্থিতিত এতিয়া জনসংখ্যা হ্ৰাস পোৱাত কৃষিক্ষেত্ৰত কৃষকৰ আৰ্থিক মজুৰি বৃদ্ধি পালে (যিহেতু বৃহৎ কৃষিভূমি অনুপাতে কৃষকৰ যোগান কমি গৈছিল)। অৱশ্যে এইক্ষেত্ৰত সামন্তসকলে পুনৰ আপোচহীন স্থিতি ল'ব খোজাৰ পৰিপ্ৰেক্ষিতত ফ্ৰান্স, ইংলেণ্ড, ইটালি, স্পেইন আদি অঞ্চলত কৃষকসকলে বিদ্ৰোহৰ সূচনা কৰিলে। বিদ্ৰোহসমূহ দমন কৰা হ'ল যদিও ই সামন্তপ্ৰভু আৰু কৃষকৰ মাজৰ উমৈহতীয়া সম্পৰ্কৰ যথেষ্ট অৱনতি ঘটালে বি সামন্তবাদৰ ভেটিত প্ৰবল জোঁকাৰণিৰ সৃষ্টি কৰিলে।

সামন্তবাদৰ অৱক্ষয়ৰ প্ৰক্ৰিয়াটো যথেষ্ট লেহেমীয়া আছিল আৰু ই ইউৰোপৰ সকলো অঞ্চলতে একেভাৱে সংঘটিত হোৱা নাছিল। প্ৰায় ৩০০ বছৰ জোৰা পৰিক্ৰমাৰ অন্তত প্ৰায় সপ্তদশ শতিকাত সামন্তবাদৰ পতন ঘটি বিশ্বত পুঁজিবাদৰ বিকাশ হয় বুলি কোৱা হয়। অৱশ্যে পশ্চিম ইউৰোপীয় অঞ্চলসমূহৰ বিপৰীতে পূব আৰু মধ্য ইউৰোপত সামন্তবাদৰ পতন পলমকৈ হৈছিল বুলি ধৰা হয়। যি কি নহওক, ইউৰোপৰ সামন্তবাদৰ পতনৰ কাৰকসমূহক লৈ বিভিন্ন ঐতিহাসিকসকলৰ মাজত ব্যাপক মতপাৰ্থক্য আছে। তেওঁলোকৰ মতবিবাদৰ মূল দিশসমূহ হ'ল— জনসংখ্যাজনিত কাৰক, বাণিজ্য, সম্পৰ্কৰ অৱক্ষয় তথা শ্ৰেণী-সংগ্ৰাম। এই কাৰকসমূহৰ কোনটো প্ৰধান বা বেছি প্ৰাসঙ্গিক এই বিষয়ত মতামত দিয়াৰ পৰিৱৰ্তে তলত আমি বিভিন্ন ঐতিহাসিকসকলে নিজ দৃষ্টিভংগীৰে ইউৰোপত সামন্তবাদৰ পতন সম্পৰ্কে দিয়া মতামত বিশ্লেষণ কৰিম। উল্লেখ্য যে, ইতিহাস বিষয়টো সমাজ-বিজ্ঞানৰ এক বিষয় হিচাপে বস্তুনিষ্ঠ নহৈ আলোচ্যধৰ্মী হ'বলৈ বাধ্য। তোমালোকে পৰৱৰ্তী উচ্চস্তৰীয় শিক্ষাত ইতিহাসৰ প্ৰায়বিলাক বিষয়বস্তুৰে ব্যাপক আলোচনা (Discousre) পঢ়িবলৈ পাবা য'ত বিভিন্নজনে এটা বিষয়বস্তুৰ ওপৰত ভিন্নধৰণে পৰ্যালোচনা আগবঢ়াব। সাধাৰণ বিজ্ঞানৰ বিষয়সমূহৰ বিপৰীতে ইতিহাসত বস্তুধৰ্মিতা (Objectivity) খুব কম। ৰচনাধৰ্মিতা (Subjectivity)ক সেয়ে ইতিহাসৰ প্ৰাণস্বৰূপ বুলিব পাৰি। যি কি নহওক, তলত ইউৰোপত সামন্তবাদৰ অৱক্ষয় সংক্ৰান্তত বিভিন্ন ঐতিহাসিকৰ মাজত থকা বিবাদ সম্পৰ্কে আলোচনা কৰা হ'ল।

সামন্তবাদৰ অৱক্ষয়ৰ মূল কাৰক হিচাপে একশ্ৰেণীৰ ঐতিহাসিকে বাণিজ্যৰ উত্থান তথা পুনৰুত্থানক জগৰীয়া কৰে। এই ধাৰাটোক প্ৰতিনিধিত্ব কৰা প্ৰধান ঐতিহাসিক

হ'ল বেলজিয়ামৰ হেনৰী পীৰেণ। তেওঁ ১৯২০ আৰু ১৯৩০ৰ দশকত প্ৰকাশ কৰা গ্ৰন্থ 'Medieval Cities : Their Origin and The Revival of Trade' আৰু 'Economic and Social History of Medieval Europe'ত বৃহৎ দূৰণিবটীয়া সামুদ্ৰিক বাণিজ্যৰ উত্থানে মধ্য ইউৰোপৰ সামন্তবাদৰ পতন মাতি আনিছিল বুলি মতপোষণ কৰিছে। তেওঁৰ মতে বাণিজ্যৰ উত্থানৰ ফলস্বৰূপে নগৰৰ বিকাশ ঘটিছিল আৰু ই মুদ্ৰা অৰ্থনীতিৰ প্ৰাধান্য বৃদ্ধি কৰি ক্ৰমান্বয়ে সামন্তবাদীয় দৈহিক শ্ৰমৰ পৰম্পৰাক চৰম আঘাত হানিছিল। পৰিবৰ্তিত পৰিস্থিতিত সদাগৰ তথা বণিকশ্ৰেণী সামন্তপ্ৰভুতকৈ বেছি ক্ষমতাশালী তথা প্ৰভাৱশালী হৈ পৰিল আৰু কালক্ৰমত সামন্তবাদৰ পতন ঘটি পুঁজিবাদৰ বিকাশ হ'ল।

পীৰেণৰ এই বাণিজ্যকেন্দ্ৰিক ব্যাখ্যাক প্ৰত্যাহ্বান জনালে কেমব্ৰীজ বিশ্ববিদ্যালয়ৰ অধ্যাপক মৰিচ ডবে। ১৯৪৬ খ্ৰীঃত ডবে তেওঁৰ 'Studies in the Development of Capitalism' গ্ৰন্থত বাণিজ্যৰ উত্থানক ইউৰোপৰ সামন্তবাদৰ পতনৰ একমাত্ৰ কাৰক বুলি কৰা ধাৰণাক খাৰিজ কৰি মতপোষণ কৰিলে যে সামন্তবাদৰ অন্তৰ্নিহিত সম্পৰ্ক ব্যৱস্থা (Production Relation)ৰ ক্ষেত্ৰত দেখা দিয়া বেমেজালিহে ইয়াৰ পতনৰ কাৰণ আছিল। ডবে নগৰৰ বিকাশৰ কথা স্বীকাৰ কৰিলেও বাণিজ্যক এই নগৰীকৰণ ব্যৱস্থাৰ লগত সংযুক্ত কৰা নাছিল। ডবৰ মতে নগৰসমূহলৈ জৰ্জৰিত কৃষকসকলৰ আগমন ঘটাত সামন্তীয় ব্যৱস্থা অচল হৈ পৰিছিল।

জাপানৰ এজন ইতিহাসবিদ ক'চুৰো টাকাহাচিয়ে এনে সময়তে সমগ্ৰ বিতৰ্কটোত এক নতুন দিশৰ সংযোজন ঘটালে। তেওঁ জাপানৰ মেইজীতন্ত্ৰৰ উদাহৰণ দি বিশ্লেষণ কৰি দেখুৱালে যে সামন্তবাদৰ পতন ঘটিহে যে পুঁজিবাদৰ উৎপত্তি হয় এনে নহয়। ফ্ৰান্সৰ আন এজন মাৰ্ক্সবাদী ইতিহাসবিদ গাই বয়জে তেওঁৰ গ্ৰন্থ 'The Transformation of the year one Thousand : The Village of Louround from antiquity of Feudalism'ত ফ্ৰান্সৰ এখন গাঁৱৰ ওপৰত গৱেষণা কৰি দেখুৱালে যে বাণিজ্যাই সামন্ত আৰু কৃষকৰ মাজৰ সম্পৰ্কৰ মাজত বেমেজালি কৰাৰ পৰিবৰ্তে এই সম্পৰ্ক দৃঢ়হে কৰিছিল।

সামন্তবাদৰ এক প্ৰধান বিশ্লেষক মাৰ্ক ব্লক (Marc Block)এ তেওঁৰ 'Feudal Society' গ্ৰন্থত গ্ৰাম্য সমাজৰ পৰিবৰ্তনশীল চৰিত্ৰক সামন্তবাদৰ পতনৰ কাৰক হিচাপে যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। একেধৰণে জৰ্জ ডুবেই তেওঁৰ গ্ৰন্থ 'Rural Economy and Country Life in the Medieval West' আৰু 'Early Growth of European Economy'ত কৈছে যে উৎপাদন ব্যৱস্থাত প্ৰযুক্তিবিদ্যাৰ



উদ্ভাৱনৰ লগে লগে কৃষকসকলৰ মাজতে সামাজিক স্তৰীভূতকৰণ প্ৰক্ৰিয়া এটাৰ সৃষ্টি হৈছিল। এচাম কৃষকে এই সময়ছোৱাত উন্নত প্ৰযুক্তিৰ সহায়ত ৰাহি উৎপাদন বৃদ্ধি কৰাৰ পৰিবৰ্তে ক্ষুদ্ৰ খেতিয়কসকলৰ অৱস্থা ক্ৰমে নিশকতীয়া হৈ পৰিছিল। এনে কৃষকসকলৰ বহুতো মজুৰিকৃত শ্ৰমিকলৈ ৰূপান্তৰিত হৈছিল আৰু ই সমগ্ৰ সামন্তবাদীয় চৰিত্ৰক মোক্ষম আঘাত হানিছিল।

১৯৬০-৭০ ৰ দশকত সামন্তবাদৰ পতনৰ ক্ষেত্ৰত কিছু ঐতিহাসিকৰ মাজত নব্য মালথাচীয় বিশ্লেষণৰ ধাৰা এটাই গা কৰি উঠিছিল। উনবিংশ শতিকাত জনসংখ্যা আৰু অৰ্থনীতি সম্পৰ্কীয় আলোচনাত থমাচ ৰবাৰ্ট মালথাচে যুক্তি প্ৰদৰ্শন কৰিছিল যে প্ৰত্যেক ভূমি তথা অন্য প্ৰাকৃতিক সম্পদৰ কিছু নিৰ্দিষ্ট বহনক্ষম ক্ষমতা থাকে আৰু যেতিয়া জনসংখ্যা বৃদ্ধি পাই সীমিত সম্পদৰ ওপৰত হেঁচা প্ৰয়োগ কৰে তেতিয়া এনে সম্পদৰ বহনক্ষমতা অতিক্ৰম হয় আৰু দুৰ্ভিক্ষ, মহামাৰী আদিয়ে দেখা দিয়ে আৰু জনসংখ্যা এনেদৰে হ্ৰাস হৈ পূৰ্বৰ সুস্থিৰতাৰ পৰ্যায় পায়হি। ইতিহাসবিদ ইমানুৱেল লি ৰয় লাডুৰাইয়ে এইক্ষেত্ৰত মালথাচৰ এই ব্যাখ্যা মধ্যযুগীয় ইউৰোপৰ সামন্তবাদৰ পতনৰ প্ৰসঙ্গত সংলগ্ন কৰি ক'ব খোজে যে এনেধৰণৰ প্ৰাকৃতিক সম্পদৰ বহনক্ষমতা অতিক্ৰম হোৱা বাবেই ইউৰোপত দুৰ্ভিক্ষ (১৩১৪—১৩১৫) আৰু মহামাৰী (১৩৪৮—১৩৫১ খ্ৰীঃ) সংঘটিত হৈছিল যাৰ অন্তত জনসংখ্যা হ্ৰাস হৈ সমগ্ৰ অৰ্থনৈতিক ব্যৱস্থাটোৱে পৰিৱৰ্তন ঘটিছিল। অৱশ্যে এই নব্য-মালথাচীয় ব্যাখ্যাক বহুজনে সমালোচনা কৰিছে আৰু ইয়াৰ বিৰুদ্ধে যুক্তি দৰ্শাই কৈছে যে একে সম্পদৰ পৰা উন্নত প্ৰযুক্তিৰে ফচলৰ উৎপাদন বৃদ্ধি কৰিব পৰা সম্ভৱ যি সম্পদৰ বহনক্ষমতা বৰ্ধিত জনসংখ্যাৰ অনুপাতে বৃদ্ধি কৰিব পাৰে।

১৯৭০—৮০ৰ দশকৰ এখন ব্ৰিটিছ পত্ৰিকা 'Past and Present'ত সামন্তবাদৰ পৰা পুঁজিবাদৰ পৰিৱৰ্তনৰ প্ৰসঙ্গত এলানি বাদানুবাদধৰ্মী আলোচনা প্ৰকাশ পাইছিল। এই আলোচনাৰ গুৰি ধৰিছিল ৰবাৰ্ট ব্ৰেনাৰ নামৰ আমেৰিকাৰ এজন ইতিহাসবিদে। ১৯৭৬ চনত ব্ৰেনাৰে 'Agrarian Class Structure and Economic Development in Pre-Industrial Europe' নামৰ প্ৰবন্ধত উল্লেখ কৰিছে যে বাণিজ্যৰ উত্থানে সম্পূৰ্ণৰূপে সামন্তবাদৰ পতনক ব্যাখ্যা কৰিব নোৱাৰে। ইয়াৰ পৰিৱৰ্তে ব্ৰেনাৰে শ্ৰেণী সংগ্ৰাম (Class Struggle)ক সামন্তবাদৰ পৰা পুঁজিবাদলৈ হোৱা পৰিৱৰ্তনৰ মূল বুলি ক'ব বিচাৰিছে। এই শ্ৰেণী সংগ্ৰাম আছিল সামন্তপ্ৰভু আৰু কৃষক শ্ৰেণীৰ মাজত। তেওঁৰ এই ব্যাখ্যা ইংলেণ্ড আৰু ফ্ৰান্সৰ পুঁজিবাদৰ উত্থানৰ প্ৰসঙ্গত ব্যাপকভাৱে ক্ৰমান্বয়ে আলোচিত হ'বলৈ আৰম্ভ কৰিছিল। ১৯৮৫ খ্ৰীঃত সমগ্ৰ এই

বাদানুবাদধৰ্মী আলোচনাক এখন গ্ৰন্থ আকাৰে প্ৰকাশ কৰা হ'ল যাৰ নাম দিয়া হ'ল— 'The Brenner Debate.'

এই দৰে উপৰোক্ত আলোচনাৰ অন্তত দেখা গ'লযে পৰম্পৰাগত ইতিহাসবিদসকলে বাণিজ্যৰ উত্থান আৰু নগৰীকৰণক সামন্তবাদৰ পতনৰ প্ৰধান কাৰক হিচাপে আখ্যা দিয়াৰ পৰিৱৰ্তে আধুনিক ঐতিহাসিকসকলে অন্যান্য বহু সাম্ভাব্য কাৰকৰ বিষয়ে বিশ্লেষণ আগবঢ়াইছে। আলোচিত পৰ্যালোচনাৰ মূল ব্যক্তিসকল আছিল হেনৰী পীৰেণ, মৰিচ ডব, ক'চুৰো টাকাহাচি, গাই বয়জ, মাৰ্ক ব্লক, জৰ্জ ডুবে, ইমানুৱেল লাডুৰাই, ৰবাৰ্ট ব্ৰেনাৰ ইত্যাদি। ইতিমধ্যেই উল্লেখ কৰা হৈছে যে আমাৰ এই পৰ্যালোচনাই মধ্যযুগীয় ইউৰোপীয় সামন্তবাদৰ পতনৰ মূল কাৰক কি তাৰ উত্তৰ দিয়াৰ পৰিৱৰ্তে নিজ নিজ দৃষ্টিভঙ্গীৰ পৰা প্ৰত্যেক ঐতিহাসিকৰ ব্যাখ্যাকে সামগ্ৰিকভাৱে সামৰি ল'ব। প্ৰকৃততে ইতিহাস বিষয়টোত নিৰ্দিষ্ট কোনো বিষয়ৰ বা ধাৰণাৰ সৰ্বশেষ আৰু সৰ্বাত্মক এক বিশ্লেষণ আশা কৰিব নোৱাৰি। ক্ৰমাগত তথা ন ন পৰ্যালোচনাৰ সম্ভাৱনাই হৈছে ইতিহাস বিষয়টোৰ অনন্য মাধুৰ্য। সেয়ে হয়তো ই. এইচ. কাৰে তেওঁৰ গ্ৰন্থ 'What is History?'ত এনেদৰে কৈছে— 'History is a continuous process of interaction between the historian and his facts, an unending dialogue between the present and the past'। যি কি নহওক, নৱজাগৰণ আৰু অন্যান্য শক্তিশালী ৰজাসকলৰ উত্থানে আধুনিক ইউৰোপৰ নতুন পৰিৱৰ্তিত পৰিস্থিতিত সামন্তবাদীয় অৰ্থনীতিৰ পৰিসমাপ্তি ঘটাই উপনিবেশবাদ তথা বণিকবাদ (Merchantalism)ৰ যোগেদি পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাৰ ভেটি সুদৃঢ় কৰি তুলিছিল। ❑